
দুধনৈ মহাবিদ্যালয়
আলোচনী

# দুধনৈ মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

তৃতীয় সংখ্যা

১৯৭৯-৮১ চন

১৯০১-১৯০৩ শক

সম্পাদক

কেশৱ চন্দ্ৰ চৌধুৰী

দুধনৈ মহাবিদ্যালয় আলোচনী
বছৰেকীয়া প্ৰকাশ/তৃতীয় সংখ্যা/১৯৭৯-৮১ চন/১৯০১-১৯০৩ শক

* তত্ত্বাৱধায়ক :
  অধ্যাপক বসন্তকুমাৰ শৰ্মা

* সম্পাদক :
  কেশৱ চন্দ্ৰ চৌধুৰী

* বেটুপাত অঙ্কণ :
  যশোৱন্ত ৰাভা

বাণীপ্ৰকাশ মুদ্ৰণী
৫ উদ্যোগ পাম
বামুনীমৈদাম, গুৱাহাটী— ২১

## সূচীপত্ৰ

### ॥ প্ৰবন্ধ ॥


| | | |
|---|---|---|
| সাম্প্ৰতিক অসমীয়া চুটিগল্পত দেশপ্ৰেম | ১ | চৰিফত আলি |


### ॥ কবিতা ॥


| | | |
|---|---|---|
| প্ৰতীক্ষা | ৪ | অধ্যাপক ফণীভূষণ দাস |
| প্ৰত্যুষ | ৫ | শিশিৰৰঞ্জন পাটগিৰি |
| মাতৃৰ করুণ আৰ্তনাদ | ৫ | পীতাম্বৰ কছাৰী |
| অনুভৱ | ৬ | তপনকুমাৰ পাঠক |
| সাথৰ | ৬ | স্বৰ্ণলতা নাথ |
| দগ্ধ হিয়াৰ কবিতা | ৭ | চন্দ্ৰ বাহাদুৰ ছেত্ৰী |
| এটি কবিতা | ৭ | শিপ্ৰা পুৰকায়স্থ |
| বসন্তৰ আগমনত | ৮ | ফুলেন কাকতি |


### ॥ গল্প ॥


| | | |
|---|---|---|
| প্ৰতিশ্ৰুতি | ৯ | কুমাৰ জয়ন্তপ্ৰদীপ নাথ |
| অপ্ৰকাশৰ বেদনা | ১৪ | সৌৰভকুমাৰ পাঠক |
| সন্ধান | ১৬ | প্ৰদীপকুমাৰ দাস |


### ॥ সম্পাদকৰ প্ৰতিবেদন ॥


| | | |
|---|---|---|
| সংগীত বিভাগ | ১৯ | নৰকুমাৰ দাস |
| সাংস্কৃতিক বিভাগ | ২০ | মিত্ৰদেৱ ৰাভা |
| ছাত্ৰীৰ জিৰণি কোঠা | ২১ | মিচ্ অনু কছাৰী |
| সমাজ সেৱা বিভাগ | ২২ | সজলকান্তি সেনগুপ্ত |
| খেল বিভাগ | ২৩ | দিলীপকুমাৰ দাস |
| আন্তঃ দ্বাৰ খেল বিভাগ | ২৪ | পীতাম্বৰ ৰাভা |

Results of the Annual College week Competition 78-79

| | | |
|---|---|---|
| সম্পাদকীয় | ৩১ | কেশৰ চন্দ্ৰ চৌধুৰী |

# সাম্প্ৰতিক অসমীয়া চুটি গল্পত দেশপ্ৰেম

—চৰিফত আলি
২য় বাৰ্ষিক, বি.এ

সাম্প্ৰতিক যুগৰ গল্প সাহিত্যৰ পৰিৱৰ্তনৰ গতি আৰম্ভ হয় ঠিক দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা। অসমীয়া চুটি গল্পৰ ইতিহাস তিনিকুৰিমান বছৰৰহে। কিন্তু এই কম সময়ৰ ভিতৰতে গল্প সাহিত্যৰ যি অগ্ৰগতি পৰিলক্ষিত হৈছে তাক উলাই কৰিব নোৱাৰি। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ভিতৰত গল্প সাহিত্য সকলোতকৈ বেছি শক্তিশালী আৰু জনপ্ৰিয়। দ্বিতীয় মহাযুদ্ধৰ নানা আলৈ-আহুকালৰ অবাঞ্ছিত অস্থিৰতাৰ মাজত অসমীয়া আলোচনীসমূহৰ জীৱনলৈ নামি আহিছিল চৰম দুৰ্যোগ, তাৰ মাজতো কিন্তু জয়ন্তী,সুৰভি, আৱাহন, পছোৱা, ৰামধেনু আদি আলোচনীয়ে নিজৰ আদৰ্শ অটুট ৰাখিবলৈ সক্ষম হৈছিল। আধুনিক গল্পকাৰ সকলে যুদ্ধৰ সময়ত সৰ্বস্বান্ত হোৱা দেশখনক আধুনিকভাৱে সমুজ্জ্বল কৰি গঢ়ি তোলাৰ বাবে উঠিপৰি লাগিছিল। প্ৰেম, দয়া, ন্যায় প্ৰভৃতি মানৱীয় প্ৰমূল্যৰ প্ৰতি আনুগত্য তেওঁলোকৰ গল্প সাহিত্যত পৰিলক্ষিত হৈছিল। মানৱ জীৱনৰ বিচিত্ৰ ৰূপ, অন্তৰ্দ্বন্দ্ব আৰু সমস্যাসমূহে গল্পত স্থান পাবলৈ ধৰিলে। যাৰ ফলত সাহিত্যত ৰোমান্টিক ভাৱ কমি আহিলে আৰু বাস্তৱতাই স্থান পালে। ভাৰতীয় তথা অসমীয়া জন-জীৱনক নানান সমস্যা আৰু সংস্কাৰৰ পৰা মুক্ত কৰাৰ যি প্ৰচেষ্টা, তাৰ ফল স্বৰূপে সেই সময়ৰ সাহিত্যিক সকলে গল্প সাহিত্যলৈ লৈ আনিছিল ব্যঙ্গাত্মক ধাৰাটো।

আধুনিক অসমীয়া চুটি গল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গাত্মক ৰচনাৰ মাজেৰে স্বদেশৰ প্ৰতি থকা তেওঁৰ গভীৰ ভালপোৱাৰ কথা গম পোৱা যায়। বেজবৰুৱাই পোনতে ব্যঙ্গাত্মক ৰচনাতে হাত দিছিল। তেওঁৰ ব্যঙ্গোক্তি সচৰাচৰ হাস্যৰসৰ মাজত ফুটি উঠে। নিখুঁট শব্দ সংযোজনাৰ সহায়ত ভাষা তাৎপৰ্যপূৰ্ণ আৰু সাৱলীল কৰাৰ ক্ষমতা যিজন লেখকৰ আছে সেই জনৰ পক্ষে সমাজৰ দোষ-ত্ৰুটী বোৰ হাঁহি আৰু কৌতুকৰ মাজেদি ফুটাই তোলা সহজ কাম। বেজবৰুৱাই হাস্যৰসৰ জৰিয়তে সমাজৰ দোষ-ত্ৰুটী আঁতৰাই দেশখনক এক আদৰ্শ দেশ কৰি গঢ়ি তোলাৰ সপোন দেখিছিল। সেইবাবে 'স্বৰ্গাৰোহন' আদি গল্পৰ জৰিয়তে পৰিস্ফুট হোৱা

বিমল হাস্য ৰসৰ কাষে কাষে 'জগৰামগুলৰ প্ৰেমাভিনয়' 'ভোকেন্দ্ৰ বৰুৱা' 'নাঙলু চন্দ্ৰ দাস' 'মলক গুইন্ গুইন্' প্ৰভৃতিৰ মাজত থকা শ্লেষাত্মক উক্তিও আমি নোপোৱাকৈ নাথাকোঁ। ইংৰাজ আমোলৰ প্ৰথম ছোৱাত আমাৰ জীৱনলৈ যি পৰিৱৰ্তনৰ ঢল নামিছিল, তাত আমি প্ৰধানকৈ দুটা শ্ৰেণী দেখিবলৈ পাওঁ। এটা শ্ৰেণীয়ে পুৰণি-কলীয়া সংস্কাৰকে সাৰটি ধৰি লাহে-লাহে নিজেই নিঃশেষ হৈ যোৱাৰ বাটত থিয় দিছিল আৰু আনটোৱে প্ৰাচীন সংস্কাৰক মানি লোৱাও নাছিল, অথচ তাক সংশোধনো নকৰি উদ্দেশ্য বিহীন হৈ ঢলৰ ওপৰত তুলাপাতৰ দৰে ওপঙি ফুৰিছিল। এই দুয়োটা শ্ৰেণীয়েই বেজবৰুৱাৰ প্ৰত্যক্ষ-আৰু পৰোক্ষ আক্ৰমণৰ পৰা মুক্ত হোৱা নাই। হাস্যৰসৰ জৰিয়তে স্বদেশ প্ৰীতিৰ ধাৰাটো আধুনিক গল্প সাহিত্যৰ মাজত আজিও দেখিবলৈ পোৱা যায়। নগেন্দ্ৰনাৰায়ণ চৌধুৰী, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা, লক্ষ্মীনাথ ফুকন প্ৰেমনাৰায়ণ দত্ত, যোগেশ দাস, লক্ষ্মীনন্দন বৰা প্ৰভৃতি লেখকৰ মাজত হাস্যৰস আৰু ব্যঙ্গৰ নিদৰ্শন আছে। কিন্তু বেজবৰুৱাৰ দৰে এখেতসকলৰ দেশপ্ৰেমৰ ভাব তীব্ৰ নহয়।

হাস্যৰস আৰু ব্যঙ্গাত্মক ৰচনাৰ বাহিৰেও যে দেশপ্ৰেম মূলক সাহিত্য ৰচিব পাৰি এইটো সকলোৰে অনুমেয়। স্বদেশপ্ৰীতি পোনপটীয়া বাটেৰে নেদেখুৱাই এচাম লেখকে অইন একবাটেৰে প্ৰকাশ কৰিছে—লেখকৰ সংস্কাৰ কামী মনোভাৱ লৈ। কোনো কোনো লেখকৰ এই মনোভাৱ তেওঁৰ গল্পৰ ওপৰতে ওলাই আছে আৰু আন কোনো লেখকৰ ক্ষেত্ৰত ই গল্পৰ সামগ্ৰিক আৱেদনৰ আঁৰত লুকাই পৰিছে। ব্যঙ্গাত্মক লেখকৰ আগতো লেখকৰ আদৰ্শ থাকে। কিন্তু এই আদৰ্শই তেওঁক অনুপ্ৰাণিত কৰিলেও নিয়ন্ত্ৰিত নকৰে। কিছুমান লেখকক এই আদৰ্শই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰে। দণ্ডিনাথ কলিতাৰ দুটামান গল্পত সংস্কাৰ কামী মনোভাৱ প্ৰকট হৈছে। লক্ষ্মীধৰ শৰ্মাৰ দুটা এটা গল্পতো সংস্কাৰধৰ্মীতাই লুকাবলৈ চেষ্টা কৰা নাই। তেওঁৰ 'পৰাজয়' আৰু 'বিদ্ৰোহিনী' গল্পত সংস্কাৰ সাধনৰ দৃঢ়তা আছে। 'বিদ্ৰোহিনী'ত বিধৱাৰ বিদ্ৰোহাত্মক মনোভাৱে সামাজিক অন্যায়, অবিচাৰ, নিষ্ঠুৰতাক বেছি প্ৰকট কৰি তুলিছে। নকুলচন্দ্ৰ ভূঞাৰ দুই এটা গল্পতো সংস্কাৰকামী স্বদেশ প্ৰীতি মনোভাৱ স্পষ্ট কৈ ওলাই পৰিছে। কিন্তু শৰৎ চন্দ্ৰ গোস্বামী, ৰাধিকামোহন গোস্বামী আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত হ'লে সংস্কাৰকামী মনোভাৱ ধন্যাত্মক। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ কেইটামান গল্প স্বদেশ প্ৰীতিৰ মহৎ আদৰ্শৰে অনুৰঞ্জিত।

লক্ষ্মীনাথ বেজবৰুৱা শৰৎচন্দ্ৰ গোস্বামী, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৰাধিকা গোস্বামী, লক্ষ্মীনাথ ফুকন, বীণা বৰুৱা, উমা শৰ্মা, দীন নাথ শৰ্মা প্ৰভৃতি লেখক সকলৰ ওপৰত স্বদেশপ্ৰীতিৰ স্পষ্ট স্বাক্ষৰ আছে। আমাৰ সমাজত ডাঙৰ দীঘল হোৱা পুৰুষ নাৰীৰ জীৱনত দেখা পোৱা সৰু বৰ সমস্যা বুটলি লৈ তাৰ বাস্তৱ ৰূপ দানত চেষ্টা এই সকল লেখকৰ উদ্দেশ্য। এই সকলৰ দ্বাৰা ৰচিত কিছুমান গল্পৰ কলা কৌশলৰ বিচিত্ৰতা আৰু সূক্ষ্মানুভূতি সন্ধানৰ চেষ্টা নাই কিন্তু সৰল আৰু পোনপটীয়া উক্তিৰে ফুটাই তোলা আৰু সকলোৱে গ্ৰহণ কৰিব পৰা স্বাভাৱিক মাধুৰ্য আছে। সেই মাধুৰ্যত নিহিত হৈ আছে দেশপ্ৰীতি। বেজবৰুৱাৰ 'ভদৰী' বা 'ৰতন মুণ্ডা' শৰৎচন্দ্ৰ গোস্বামীৰ 'ময়না' আৰু 'অদৃষ্ট', নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'উচৰ্গা' আৰু

'তামৰ তাবিজ' লক্ষ্মীনাথ ফুকনৰ 'মৰমৰ মাধুৰী', 'মেধি', 'ডাক্তৰ' বীণা বৰুৱাৰ 'আঘোণীবাই,' দীন নাথ শৰ্মাৰ 'তুলাল' 'সুৰবালা' প্ৰভৃতি গল্পৰ জৰিয়তে এই সকল লেখকে সমাজৰ আচাৰ নীতি, ব্যভিচাৰ আদি চিত্ৰনত সাফল্যমণ্ডিত হৈছে। এই সকল ব্যক্তিয়ে আবৰ্জনামুক্ত সমাজ এখনৰ কামনা কৰে। তেওঁলোকৰ উল্লেখিত বহুমূলীয়া গল্প সমূহেই ইয়াৰ উৎকৃষ্ট নিদৰ্শন।

সাম্প্ৰতিক গল্পকাৰ সকলৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ স্বদেশপ্ৰীতি উল্লেখ কৰিবলগীয়া। জীৱনৰ ব্যাপকতাৰ প্ৰতি মালিকদেৱ সজাগ। তেখেতে জানে যে একে তুলিকাৰে বহল জীৱনৰ স্বদেশপ্ৰীতি সফলতাৰে আঁকিব নোৱাৰি। সেই বাবে তেওঁ বেলেগ বেলেগ কৌশল প্ৰয়োগ কৰি স্বদেশপ্ৰীতিৰ চিত্ৰ অঙ্কন কৰিছে। মালিকৰ গল্প কোৱাৰ ভঙ্গী সৰস। মানৱতাৰ আদৰ্শ তেওঁৰ চকুৰ আগত আছে। নিৰন্ন, দৰিদ্ৰ আৰু অসহায় জনৰ প্ৰতি তেওঁ সহানুভূতিশীল। অত্যাচাৰী, ক্ষমতাশালী আৰু গৰ্বীলোকৰ প্ৰতি তেওঁৰ ক্ৰোধ। 'প্ৰাণ পোৱাৰ পিছত', 'বাৰ খৰৰ বৰষুণ,' 'সিয়ো মৰিল,' 'কাঠফুলা' প্ৰভৃতি গল্পবোৰে মালিকৰ ভিন্ ভিন্ দৃষ্টিভঙ্গীৰে দেশপ্ৰীতিৰ পৰিচয় দিয়ে।

বৰ্তমান যুগৰ আন এজন সাৰ্থক দেশপ্ৰেমী গল্পকাৰ হ'ল হোমেন বৰগোহাঞি। যোৱা দুখন মহাযুদ্ধৰ প্ৰভাৱে মানুহৰ মনৰ ওপৰত সত্য, ন্যায়, সাম্য, মৈত্ৰীৰ আদৰ্শ ভাঙি ছিঙি গুড়ি কৰি পেলাইছে। এনে সময়ত জীৱনক নতুন মাপকাঠিৰে জোখাৰ চেষ্টা কৰিছে বৰগোহাঞি ডাঙৰীয়াই। সমাজৰ দুখ দুৰ্গতিৰ অৱসান তেওঁ বিচাৰে। অন্যায় অত্যাচাৰৰ প্ৰতি ক্ৰোধ তেওঁৰ আন্তৰিক। অৰ্থনৈতিক নিপীড়ন আৰু বুভুক্ষাৰ বেদনাৰে জৰ্জৰিত লোকৰ শালীনতাবোধ লুপ্ত হৈ পৰাৰ ইঙ্গিত বৰ গোহাঞিয়ে দিছে। বলিষ্ঠ চৰিত্ৰ সৃষ্টিৰ জৰিয়তে দেশপ্ৰীতিৰ আকৰ্ষণ তেওঁৰ বৈশিষ্ট্য। 'ইস্মাইল সেখৰ সন্ধানত,' 'শীতৰ হাঁহি' 'এটা নতুন ভিক্ষাৰী,' হাতী প্ৰভৃতি গল্পই বৰগোহাঞিৰ উক্ত প্ৰীতিৰ নিদৰ্শন। ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা এওঁলোক দুয়ো সাম্প্ৰতিক যুগৰ সাৰ্থক গল্পকাৰ। তেওঁলোকৰ কিছুমান গল্পৰ পৰাও স্বদেশ প্ৰীতিৰ আভাস পোৱা যায়।

ওপৰত উল্লেখ কৰাৰ বাহিৰেও সম-সাময়িক আন এদল লেখকে, ইতিমধ্যে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই উদীয়মান লেখকসকলৰ দেশপ্ৰীতি নিৰূপণৰ চেষ্টা নিৰাপদ নহয়। কাৰণ গাইগুটীয়া দুই এটা গল্পৰ আলোচনাৰে লেখকৰ দেশপ্ৰীতিৰ আভাস পোৱা নাযায়।

আমাৰ দেশ স্বাধীন হোৱাৰ পিছত নাগৰিকৰ দায়িত্ব বাঢ়ি আহিছে। যুগে যুগে সাহিত্যিকে দেশ-প্ৰীতিৰ প্ৰয়োজনৰ প্ৰতি সহাঁৰি জনাই আহিছে। আমাৰ উঠি অহা লেখক সকলৰো দেশৰ প্ৰতি একোটা দায়িত্ব আছে। এই দায়িত্ব পালন কৰিবলৈ লেখক সকল আগবাঢ়ি আহিব লাগিব। দেশ গঠনৰ আদৰ্শ আগত ৰাখি এটা জাতিৰ সাহিত্যৰ বুকুত বলিষ্ঠ চৰিত্ৰ সৃষ্টিৰ লগতে কৰ্মনিষ্ঠা, সাধনা আৰু ত্যাগৰ আদৰ্শ জিলিকি উঠিব লাগিব। তেতিয়াহে লেখকৰ জীৱন ধন্য হ'ব। ●

…'The mark of a really great book is that it has something fresh and original to say, and that it says this in a fresh and independent way, ..

— Hudson

# প্ৰতীক্ষা

অধ্যাপক ফণীভূষণ দাস এম.এ

ঝিলমিল ৰ'দৰ বা
গছে-গছে, ফুলে-ফুলে
উলাহ অধীৰ উশাহ।

গানে গানে জান দি গ'ল
গানৰ পখীয়ে,
তেওঁ হেনো আহিব
সহৃদয় সুহৃদ মোৰ আহিব !

বন্ধু মোৰ
বুকুৰ দুখ; দেহৰ ভাগৰ
নিচুকাই থৈছোঁ নিজানে,
সময় লেখিছোঁ :
প্ৰত্যয় আৰু প্ৰতিশ্ৰুতিৰ
প্ৰগাঢ় দৃঢ়তা সানি
গতিৰ যতি আৰু
অভিনৱ সূৰ্য্য-পণ জিনি
তুমি আহিবা !

প্ৰাণ খুলি প্ৰাণৰ কথা
কত যে পাতিম আমি,
পথে পথে বুটলি যাম
সোণ-সুৰগা প্ৰাণৰ
মণি-মুকুতা ৰাজি।

চহৰে পথাৰে সিঁচি দি যাম
ফুলি উঠাৰ অমোঘ বাণী,
মুখে মুখে, মাতে মাতে
বোলাই বোলাই দিম
সেউজীয়া শইচৰ
মায়াময়—দীপ্ত হাঁহি।

বন্ধু মোৰ
ক্ষণ গণিছোঁ :
তুমি আহিবা বুলি।

## প্ৰত্যুষ

শিশিৰ ৰঞ্জন পাটগিৰি
প্ৰথম বাৰ্ষিক বি.এ

াঃ যেন সুন্দৰৰ সাধক, অসত্য সুন্দৰ তাৰ উপমা
সদ্যজাত শিশুৰ দৰে কোমল
আৰু অতি কোমল জ্যোতিৰ নক্ষত্ৰ,
ৰহস্যাবৃত সম্মোহিনী কুকুৰাৰ ডাকত
ফুটি উঠে পদুমৰ দৰে এটি প্ৰত্যুষ
পিংগল বৰ্ণৰ।
মোৰ দিবা স্বপ্নৰ উন্মাদনাত
জাগি উঠে প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে শোণিত, ৰক্তিম,
তেতিয়া মোক হাত বাউলি মাতে সি—
আহা যাওঁ বিচিত্ৰ খেলৰ মেলাত।
মোৰ গতিৰ যতিহীন যাত্ৰা
আগ বাঢ়ে নাৱৰ দৰে
নদীৰপৰা মোহনা, মোহনাৰপৰা সাগৰ
আৰু সাগৰৰপৰা মহাসাগৰলৈ।
-মোৰ বুকুৰ উমেৰে তপত
বই যোৱা জীৱনৰ, পাৰ হোৱা প্ৰতিটি পল
নাপাওঁ যে দুনাই আৰু বিচিত্ৰ মেলাত!
ভাব হয় তেতিয়া মোৰ
বাঃ কি আশ্চৰ্য প্ৰত্যুষ
বিচিত্ৰ মেলাৰ বাবে আহ্বান তাৰ, নকৰা বিমুখ!

## মাতৃৰ করুণ আৰ্তনাদ

পীতাম্বৰ কছাৰী
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

নৈঃ শব্দ এন্ধাৰৰ সুযোগত
মাতৃৰ বুকুত
হিংস্ৰ নখৰ
নিৰ্মম আঁচোৰ!
সিহঁতৰ—
লালসাৰ জুইত
নিঃশেষ হয়
আইৰ কলিজাৰ তেজ।
হাতুৰীৰ আঘাতত
বিচ্ছিন্ন হয়
হাড়ৰ প্ৰতিটো গাঁঠি,
ঠিক তেতিয়াই
জাগ্ৰত হয়, মোৰ
সৰ্ব সত্বা!
যেতিয়া—
হিল্লোলিত হয়
অভাগিনী মাতৃৰ
করুণ আৰ্তনাদ!!

## অনুভৱ

তপন কুমাৰ পাঠক
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

নীল আকাশৰ তলত
এহালি চৰাই উৰি ফুৰিছে, আপোনমনে,
মই চাইছোঁ খিৰিকি মুখৰপৰা ।
জনমে জনমে সিহঁতে যেন
এনেকৈয়ে উৰি ফুৰিব
আকাশৰ মৰমী কোলাত
প্ৰেম আৰু মুক্তিৰ অমিয়া তুমি ।
মোৰ প্ৰাণত
আশাৰ শীতল শিহঁৰণ,
সুন্দৰক যেন বিচাৰি পালোঁ
মোৰেই হাতৰ মুঠিত ।
হঠাৎ নীল আকাশত
কলা ডাৱৰৰ আৱিৰ্ভাৱ,
তাৰ পিছত শিলাবৃষ্টি……
চৰাই দুটি সেই শিলা বৃষ্টিত
হেৰাই গল…… !
সুখৰ কল্পনা, মধুৰ আশা
ভাঙি চুৰমাৰ হ'ল ।
মোৰ চেতনাত আঘাত পৰিল ।
জীৱনটো তেনেহ'লে
অসুন্দৰ নেকি ?
মধুৰ আশা, স্বৰ্গীয় কল্পনা,
সকলো অসত্য নেকি ??

## সাঁথৰ


স্বৰ্ণলতা নাথ
২য় বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

অহিংসা হেনো পৰম ধৰ্ম
সত্যৰ সদায় জয়,
সত্যই যদি পুণ্য আৰ্জে
মিছা কিয় কয় ?
আশাই যদি জীৱন হয়
নিৰাশা নামে কিয় ?
দয়াই যদি মানৱতা হয়
নিষ্ঠুৰতা আছে কিয় ?
ক্ষমা যদি স্বৰ্গীয় হয়
শাস্তিৰ বিধান কিয় ?
জীৱন যদি সুখৰেই হয়
বেদনাৰ চকুলো কিয় ?
ভাল পোৱা যদি ঈশ্বৰৰ দান
ঘৃণা ওপজে কিয় ?
মিলন যদি আছে পৃথিৱীত
বিৰহ আছে কিয় ?
সহজ সৰল জীৱন-যাপন
জীৱনৰ মহান উদ্দেশ্য,
জটিলতাৰ মাজত সোমাই পৰি
কৰে কিয় ৰহস্য ?
এদিন নিশ্চয় যৱনিকা পৰিব
আমাৰ জীৱন নাটৰ,
মাজতে দুদিনৰ অলীক কল্পনাৰ
জীৱনটো এটা সাঁথৰ ।

## দগ্ধ হিয়াৰ কবিতা

চন্দ্ৰ বাহাদুৰ ছেত্ৰী
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

মোৰ দগ্ধ হিয়াৰ
কবিতা বোৰত
শীত কালৰ
সেমেকা ৰাতিৰ
একুৰা জুইয়ে
আৰু কিছু উম সানি দিলে,
ফাগুণৰ পচোৱাই
উজাৰি দিলে
সমগ্ৰ সত্বা মোৰ,
হিয়াৰ কবিতা বোৰ
ফুলি উঠিল ৰক্তবৰ্ণ হই। ●



## এটি কবিতা

শিপ্ৰা পুৰকায়স্থ
২য় বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

ভাগৰত ঢলি পৰোঁ
দুখৰ কোমল কোলাত,
কি যে মদিৰ পৰশ তাৰ
নিচুকায় মোক
অবোধ শিশুৰ দৰে!
শূন্যতাৰে পূৰ্ণ প্ৰহৰ,
ক'তেবা পৰি ৰ'ল
আশাৰ ফুল কলি বোৰ
উলাহ ভৰা আবেগ মোৰ!


কাৰ ফালে চাই
মূৰ দাঙি উঠোঁ মই,
কোনে আনি দিব
জিৰ্‌ জিৰ্‌ এমুঠি বতাহ
চিক্‌ মিক্‌ এচোতাল ৰ'দ,
হৃদয় ফুলনি মোৰ ফুলাবৰ বাবে। ★

# বসন্তৰ আগমনত

ফুলেন কাকতি
১ম বাৰ্ষিক বি.এ

কোন তুমি ঋতুৰাজ ?
ৰিক্ত প্ৰকৃতিক
ন ৰঙীন ৰূপ ৰাশিৰে
সুশোভিত কৰিলা:
যেন—
বেগম চাহেবা সজালা,
তোমাৰ আগমনিৰ
বতৰা পাই
গছ লতিকাই
ন-ন সেউজ বুলীয়া
পাতৰ সুকুণ্ডাৰে
মিচিকিয়া হাঁহিৰ
কল্লোল সিঁচি দিলে
নৱ ৰূপশ্ৰী প্ৰকৃতিৰ মুখাভৰণত।
কোন তুমি ঋতুৰাজ ?
তোমাক পূজিব'লে
জাকে জাকে পুষ্প কলিয়ে
বিদীৰ্ণ কলপ সোলোকাই
সুসজ্জিত ৰং ৰূপ ৰাশিৰে
সুৰভি বৰষাইছে
ৰূপাঙ্কিত দেহত
ৰাতুল চৰণত।
কোন তুমি ঋতুৰাজ ?
ক্ষুধাতুৰা—তৃষ্ণাতুৰা
জাউৰি জাউৰি
বিহগ-বিহগীৰ
এজাক সুললিত কণ্ঠস্বৰ
ভাঁহি আহে এচাটি বতাহত
তোমাৰে বন্দনাত।
কোন তুমি ঋতুৰাজ ?
অক্লান্ত, অবিশ্ৰান্ত
জাকে জাকে
ভোমোৰা পখিলাই
নৱ-ৰূপ-সজ্জিত বেশে
কৰে প্ৰেম বিচৰণ
লাজুকী মাধুৰী
ৰঙীয়াল ফুল ৰাশিৰ স'তে
তোমাৰে প্ৰেৰণাত।
কোন তুমি ঋতুৰাজ ?
বৰদৈচিলাৰ মৰমত
নিৰ্জীৱ-জীৰ্ণ-শীৰ্ণ
প্ৰেয়স প্ৰেয়সীৰ অলস অন্তৰত
ৰঙীন স্বপ্নৰ জিলিকনি
যেন—
বিজুলী খেলি যায়
প্ৰেমৰ মদিৰাৰ উচতনিত-বসন্তত। ★

# Executive Body, Dudhnoi College Students' Union : 1979-80



*Left to Right ( Sitting )* : D. Rabha (General Secy.), M. Choudhury (i/c Music), M. Sarma (i/c Girls' Common Room), R. Roychoudhury ( i/c Debate ), A. M. Mandal ( Nil ), K. Kharkhlary ( Vice-President ), Principal K. K. Rabha ( President ), B. K. Sarma (i/c Magazine), D. Kakati (i/c Cultural), T. C. Nath (i/c Games), M. Talukder ( i/c Sports ), P. B. Das.

*Right to Left (Standing)* : A. Das (Office Asstt.), D. Bhakat (Head Asstt.), M. Medhi (Office Asstt.), D. Rabha (Peon), K. Sutradhar (Chawkidar), M. Rabha (Secy., Cultural), J. Kalita (Secy., Debate), S. Sengupta (Secy. ,Social Service), P. Rabha (Secy., Minor Games), D. Das ( Secy., Sports ), A. Hazowary (Secy., Minor Games), K. Choudhury (Editor, Magazine), P. Boro (Asstt. General Secy.).

কৰবীহঁতে চিঞৰ বাখৰ লগাই দিলে। ৰঞ্জনাই অসহায়ভাৱে লুইতত উটি যাবলৈ ধৰিলে। পলাশহঁতৰ নাওখন ৰঞ্জনাইঁতৰ নাৱৰ কাষে কাষে গৈ আছিল। ৰঞ্জনাৰ অসহায় অৱস্থাটো দেখি পলাশ লুইতৰ বুকুত জপিয়াই পৰিল আৰু তাইক নিশ্চিত মৃত্যুৰ পৰা বচাই আনিলে। সকলোৰে মনত তেতিয়াহে হাঁহি পুনৰ বিৰিঙি উঠিল। পলাশক আটায়ে শলাগিলে। ৰঞ্জনাৰ মনো পলাশৰ প্ৰতি কৃতজ্ঞতাৰে ভৰি পৰিল আৰু পলাশৰ প্ৰতি দুৰ্বলতা উপজিল। তেতিয়াৰে পৰা ৰঞ্জনাৰ হৃদয়ৰ কোনোবা এটি নিভৃত কোণত পলাশে খোপনি পুতি বহিলে চিৰদিনৰ বাবে। লুইতৰ বালি চাপৰিত কহুৱা বনৰ আঁৰে আঁৰে দুয়ো দুয়োকে আপোন কৰি ললে দুয়োৰে বুজা বুজিৰ মাজেৰে। অৱশেষত নতুন বছৰত কোনোবা এটি শীতৰ সন্ধিয়া দুয়ো দুয়োকে প্ৰতিশ্ৰুতি দিলে—"জীৱনে মৰণে আপোন হৈ থকাৰ।"

সময়বোৰ পাখীলগা কাঁড়ৰ দৰে কালৰ কোবাল সোঁতত উটি গ'ল। অৱশেষত চাৰিটা বসন্তৰ পিছত দুয়োৰেই বি, এ, ফাইনেল পৰীক্ষা দিলে। পৰীক্ষাৰ শেষত দুয়োৰে প্ৰতিশ্ৰুতিৰ কথা সুঁৱৰি ৰঞ্জনাই চকু পানীৰে পলাশৰ পৰা বিদায় লৈ নিজ গাৱঁলৈ গুচি গ'ল।

এটা সময়ত দুয়োৰেই ৰাজনীতি বিজ্ঞানত অনাৰ্ছ সহ বি, এ, পাছ কৰিলে। পলাশে এম, এ, ডিগ্ৰীটো লোৱাৰ আশাৰে ইউনিভাৰচিটিত পঢ়িম বুলি বহু কল্পনাৰে জালুকবাৰী পালেগৈ। আনহাতে ৰঞ্জনাই নিজগাৱঁৰে ছোৱালী হাইস্কুল খনত শিক্ষয়িত্ৰীৰ চাকৰিত সোমাল। পলাশৰদৰে বহুতেই উনিভাৰচিটিৰ সোৱাদ ভালকৈ লবলৈ নৌপাওঁতেই আৰম্ভ হ'ল অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। অসমৰ আকাশ-বতাহ পৰ্ব্বত-কন্দৰ কঁপি উঠিল "জয় আই অসম" ধ্বনিৰে। পলাশ গোৱালপাৰাৰ নিজঘৰলৈ গুচি আহিল আৰু হেমন্ত, দিগন্ত, বেণুহঁতৰ লগত আন্দোলনত জপিয়াই পৰিল। সিহঁতে গোৱালপাৰা জিলাৰ গাঁৱে-ভূঁইয়ে সোমাই পৰিল সংগঠনৰ কামত। লাখে লাখে অবৈধভাৱে অহা বিদেশীয়ে ভাগ্যাকাশত কলাডাৱৰ হিচাপে ঠিয় দি অসমৰ অস্তিত্ব কিদৰে বিপদাপন্ন কৰিছে, সেইকথা সিহঁতে ৰাইজক বুজাই দিলে। লগতে ৰাইজক বুজালে কিদৰে বিদেশী অনুপ্ৰৱেশকাৰীয়ে অসমীয়াৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক প্ৰগতিত বিৰাট প্ৰাচীৰ ৰূপে ঠিয় দিছে। সিহঁতে জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্ব্বিশেষে সকলো শ্ৰেণী ৰাইজৰ পৰা আশানুৰূপ সমৰ্থন লাভ কৰি আন্দোলনৰ সকলো কাৰ্য্যসূচী সফল কৰি তুলিলে।

সকলো কাম যিমান সহজতে সমাধান হব বুলি ভবা হয় আচলতে সিমান সহজতে সমাধান নহয়। কাৰণ, প্ৰগতিবাদী দলৰ বিপৰীতে সমাজত থাকে প্ৰতিক্ৰিয়াশীল দল। বদনৰূপী কিছুমান কালশত্ৰু আৰু এই বদনৰূপী কালশত্ৰু বোৰে প্ৰতিক্ষণে-ক্ষণে, প্ৰতি পলে-পলে বাধা দি আহিছে প্ৰগতিবাদী দলক। এই প্ৰতিক্ৰিয়াশীল দলটোৱে গোটেই অসমতে গঢ়ি তুলিলে এটা অসম বিৰোধী দল আৰু এই দলটোৱে সমগ্ৰ অসমতে সিঁচি দিলে কিছুমান বিষবৃক্ষৰ গুটি। ফলত যি ঠাইতে এই গুটিবিলাকে সাৰপানী পালে সেই ঠাইতে গজালি মেলিলে। গোৱালপাৰা জিলাৰো কিছুমান বিশেষ বিশেষ অঞ্চলত এই বিষবৃক্ষৰ গুটিয়ে গজালি মেলিলে। এই অসম বিৰোধী দলটোৰ কুমন্ত্ৰণাৰ বলি হ'ল কিছুমান এনেকুৱা অঞ্চলৰ লোক যিবিলাকে ইয়াণ্ডাবু সন্ধিকো

বিদেশী চিনাক্তকৰণৰ দিন হিচাবে ধৰিলেও বিদেশীৰ শ্ৰেণীত নপৰে। হোজা অসমীয়া ভাই সকল ভোল গ'ল অসমীয়াৰ চিৰশত্ৰু এই ৰাহু-কেতু বোৰৰ চলনাত। লগে লগে পলাশ, দিগন্তহঁতৰ দায়িত্ব আৰু কৰ্ত্তব্য বাঢ়িল। সিহঁতে অসম বিৰোধী চক্ৰৰ কৰলত পৰা অঞ্চল সমূহলৈ গৈ ৰাইজক বুজাবলৈ ধৰিলে কিদৰে অসমীয়াৰ চিৰশত্ৰু এই চক্ৰটোৱে অসমৰ এই পবিত্ৰ, শান্তিপূৰ্ণ আন্দোলনটোক ধ্বংস কৰি সিহঁতৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ লগতে ব্যক্তিগত স্বাৰ্থ পূৰণ কৰি ৰাইজৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিব খুজিছে। ৰঞ্জনাহঁতৰ গাওঁখনো ৰেহাই নেপালে অসম বিৰোধী চক্ৰটোৰ দৃষ্টিৰ পৰা। হিন্দু মুছলিম ভাইসকলৰ পবিত্ৰ মিলনক্ষেত্ৰ কমলপুৰ গাওঁখন গৰম হৈ উঠিল। হোজা পবিত্ৰ গাৱঁলীয়া সৰল চিতীয়া হিন্দু মুছলিম ভাইসকলৰ সমন্বয়ৰ এনাজৰীদাল ছিঙিবলৈ আৰম্ভ কৰিলে। অতীতৰ পৰা একেটা পৰিয়ালৰ দৰে থকা ৰঞ্জনা, চালেমা হঁতৰ অন্তৰাত্মাই কান্দি উঠিল মৈজুদ্দিন, চালেমা, ৰঞ্জনাহঁতৰ আহ্বানত পলাশ, দিগন্তহঁতৰ এটা প্ৰতিনিধি দল আহিল সিহঁতৰ গাৱঁলৈ। পলাশ, দিগন্ত, মৈজুদ্দিন, চালেমা ৰঞ্জনাহঁতৰ আপ্ৰাণ প্ৰচেষ্টাত কমলপুৰৰ ৰাইজে অসম বিৰোধী চক্ৰটোৰ উদ্দেশ্য বুজি পালে। কমলপুৰ গাৱঁৰ ৰাজহুৱা সভাত পলাশ, দিগন্তহঁতে মুখা খুলি দিলে অসমী আইৰে দুজন কুপুত্ৰ অসমৰ কোনোবা প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু এম, পিৰ। সেই মুখা পিন্ধা ভদ্ৰলোক দুজনৰ নঙঠা অৱস্থাটোৰ কথা ৰাইজে বুজি পালে। তেওঁলোকে বুজি পালে ৰাজনীতিৰ নামত বেশ্যাবৃত্তি কৰা লোকসকলক। কমলপুৰ গাৱঁৰ হিন্দু-মুছলিম ভাইসকলৰ মাজত মেলিবলৈ ধৰা ফাটটো চিৰ দিনৰ বাবে বন্ধ কৰি দিলে পলাশ, দিগন্তহঁতে। শান্তি সম্প্ৰীতি ঘূৰি আহিল কমলপুৰ গাৱঁলৈ। সমন্বয়ৰ এনাজৰীদাল চিৰদিনৰ বাবে কটকটীয়া হ'ল। কিন্তু সাপে কঁকালৰ কোব নেপাহৰাৰ দৰে সেই অসম বিৰোধী চক্ৰটোৱেই নেপাহৰিলে সিহঁতৰ অপমানৰ কথা। পলাশদিগন্তহঁতৰ ওপৰত প্ৰতিশোধ লোৱাৰ সিদ্ধান্ত কৰি সিহঁতে সুযোগৰ অপেক্ষাত ৰ'ল।

পলাশহঁতে কমলপুৰ গাৱঁৰ ৰাইজৰ পৰা বিদায় লৈ গোৱালপাৰা চহৰলৈ অহাৰ সময়ত এডোখৰ হাবিতলীয়া নিৰ্জন ঠাইত সিহঁতৰ গাড়ীখন বৈ যাব লগা হ'ল ৰাস্তাত বাধাপ্ৰাপ্ত হৈ। পলাশহঁতৰ জীপখন বৈ যোৱাৰ লগে লগে হাবিৰ মাজৰপৰা হাতত লাঠি-জোং লৈ ওলাই আহিল বিশজনমানৰ এটা গুণ্ডাৰ দল। গুণ্ডাৰ দলটোৱে গাড়ীখনৰ ওচৰলৈ আহি যাকে যতে পায় কোবাবলৈ ধৰিলে। পলাশ, দিগন্ত, আদি কৰি লৰাবোৰে বাধা দিব নোৱাৰি নিৰুপায় হৈ চিঞৰিবলৈ ধৰিলে। সিহঁতৰ চিঞৰ শুনি অলপ দূৰৈত থকা গাৱঁৰ বহুতো মানুহ ঘটনা স্থলিলৈ আহিল। কিন্তু ইতিমধ্যে গুণ্ডাৰ দলটোৱে গাড়ীত থকা আটাইকেইজন ল'ৰাকে খুউব বেয়াধৰণে কোবালে। দিগন্তৰ মূৰৰ কেবাঠাইতো লাঠিৰ কোব পৰিল আৰু পেটত জোঙৰ খোচ। সি লগে লগে মাটিত বাগৰি পৰিল। গাৱঁৰ মানুহ আহি পোৱাৰ আগে আগে গুণ্ডাৰ দলটোৱে হাবিৰ মাজেৰে পলাই গ'ল। পলাশৰ দেহৰ কে'বাঠাইতো কোব পৰিছিল। সি কোনোৰকম গৈ দিগন্তৰ মূৰটো দাঙি ধৰি তাৰ কোলাত বহুৱাই ললে। দিগন্তৰ মূৰৰ আৰু পেটৰ কেঁচা তেজে মাটিত ডোঙা বান্ধিলে। গাৱঁৰ মানুহ বিলাকেও ঘটনাস্থলিলৈ

আহি এই মৰ্মান্তিক দৃশ্যটো দেখিলে। তেওঁলোকৰ কে'বাজনো ডাক্তৰ আনিবলৈ যাব খোজাত দিগন্তই সেহাই সেহাই বাধা দি কলে—

"ৰাইজ, আপোনালোকে মোৰ বাবে মিছাতে কষ্ট কৰিব নালাগে। হয়তো ডাক্তৰ আনিলেও মই আৰু নেবাচিম। মই মোৰ জননীৰ হকে মৰিবলৈ ওলাই গৌৰৱ বোধ কৰিছোঁ। মোৰ বহুতো কাম আধৰুৱা হৈ ৰ'ল। সেই কাম আপোনালোকেই শেষ কৰিব লাগিব। যেতিয়ালৈকে আমি আন্দোলনত কৃতকাৰ্য্য হব নোৱাৰো তেতিয়ালৈকে আমি আন্দোলন চলাই যাবই লাগিব। আমাৰ পবিত্ৰ সংবিধানক আমি শ্ৰদ্ধা জনাবই লাগিব। আমাৰ আন্দোলন হ'ল সত্য সাম্য মূৰ্ত্তিৰ প্ৰকাশ, অহিংস আন্দোলন। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শক আগত ৰাখি আন্দোলন চলাই যাব লাগিব। চৰকাৰক আমি বুজাবই লাগিব যে আমাৰ এই আন্দোলন অকল অসম আৰু অসমীয়াৰ নহয়; আমাৰ এই সমস্যা অকল আমাৰ বাবেই নহয়; ই হৈছে সকলো ভাৰতীয়ৰ বাবে জ্বলন্ত সমস্যা। অসমৰ তথা ভাৰতৰ পৰা অবৈধ বিদেশীক বহিস্কাৰ কৰিবই লাগিব।

"দিগন্ত, অলপ মনে মনে থাক চোন।"—দিগন্তই কলে—"নহয় পলাশ; মই কি সতেৰে মনে মনে থাকো।" পলাশে কন্দা দেখি দিগন্তই পুনৰ কলে—" নেকান্দিবি পলাশ, বিচলিত নহবি। তইঁতৰ সন্মুখত যে এতিয়াও বহুতো কৰ্ত্তব্য আছে। তইঁতে অসমী আইক বিদেশীৰ কৱলৰ পৰা ৰক্ষা কৰিবই লাগিব। নহলে যে অসমীয়া জাতি চিৰদিনৰ বাবে হেৰাই যাব।",

দিগন্তই পলাশৰ হাত দুখন তাৰ বুকুৰ ওপৰত থৈ কলে—"ক, পলাশ, তইঁতে মোক প্ৰতিশ্ৰুতি দে, অসমী আইৰ অস্তিত্ব ৰক্ষা কৰিবি নে নকৰ? মোক কথা দে পলাশ। নহলে যে মই মৰিও শান্তি নেপাম।" দিগন্তৰ দুচকুৰেদি পানী ববলৈ ধৰিলে।

পলাশে দিগন্তৰ চকুপানী মচি দি দি কবলৈ ধৰিলে—"মই, আমি কথা দিছোঁ দিগন্ত। আমাৰ দেহত এটুপি তেজ থকালৈকে আমি অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হকে কাম কৰি যাম।"

দিগন্তই ইমান যন্ত্ৰনাৰ মাজতো খুউব কষ্টেৰে এটি আত্মতৃপ্তিৰ হাঁহি মাৰিলে। যেন নুমুৱাব খোজা চাকিগছি নুমুৱাৰ আগে আগে ভমকৈ এবাৰ জ্বলি উঠিল। দিগন্তই যেন স্বাৰ্থপৰ পৃথিৱীৰ—স্বাৰ্থপৰতা আৰু সহ্য কৰিব নোৱাৰা হ'ল। সি কোনো ৰকম সেহাই সেহাই কলে—

"মই যাওঁ পলাশ। মোৰ শেষ আশা তইঁতে পূৰণ কৰিবি। বিদায় ৰাইজ। বি···দা···য় অ·· স···ম মা···তৃ।" লগে লগে পলাশৰ কোলাতে সি ঢলি পৰিল। অসমৰ এটি উজ্জ্বল নক্ষত্ৰ চিৰদিনৰ বাবে হেৰাই গ'ল। পলাশে দিগন্তৰ জঠৰ দেহটোক সাৱটি ধৰি পাৰে মানে কান্দিব ধৰিলে।

দিগন্তৰ মৃত্যুৱে আন্দোলনটোক নতুন জীৱন দান কৰিলৈ। সকলো ৰাইজে আন্দোলনৰ পৰৱৰ্ত্তী কাৰ্য্যসূচীত দুগুণ উৎসাহ-উদ্দীপনাৰে যোগদান কৰিলে। দিগন্তৰ প্ৰতিটোপা ৰক্ত কণিকাৰ পৰা যেন হেজাৰ হেজাৰ দিগন্তৰ জন্ম হ'ল। জাতি-ধৰ্ম্ম বৰ্ণ-ভাষা নিৰ্ব্বিশেষে আবাল বৃদ্ধ বনিতাই আন্দোলনত জপিয়াই পৰি লুইতৰ দুয়োপাৰ কঁপাই তুলিলে। পলাশহঁতেও দুগুণ উৎসাহেৰে আন্দোলনৰ সকলো কাৰ্য্যসূচী চলাই নিবলৈ ধৰিলে।


কিন্তু হঠাতে পোৱা ৰঞ্জনাৰ চিঠিখনে পলাশক বিমোৰত পেলালে। এই সময়ত ৰঞ্জনাই দিয়া

প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ যোৱা মানে আন্দোলনটোৰ পৰা কেইদিন মান আঁতৰি থকা আৰু আন্দোলনটোৰ পৰা পলাশ কেইদিনমান আঁতৰি থকা মানে আন্দো-লনটোৰ অপপ্ৰচাৰ কৰিব বিচৰাসকলক এটা সুবিধা দিয়া। এক মুহূৰ্ত্তৰ বাবে হলেও পলাশ ইঁতে আন্দোলটোৰ পৰা আঁতৰি থাকিব নোৱাৰে। কেতিয়া কোন মুহূৰ্ত্তত আন্দোলনৰ কি কাৰ্য্যসূচী ঘোষণা কৰা হয় কব নোৱাৰি। আনহাতে দিগন্তৰ ওচৰত দিয়া প্ৰতিশ্ৰুতি। দিগন্তৰ ওচৰত সি যে প্ৰতিজ্ঞাবদ্ধ। আন্দোলনৰ পৰা আঁতৰি গৈ সি দিগন্তক কি সতেৰে বিশ্বাসঘাটকতা কৰে। তাৰ মন-দাপোনত বাৰে বাৰে দোলা দিবলৈ ধৰিলে দুটা প্ৰতিশ্ৰুতি। এফালে তাৰ ধাৰাৰ ওচৰত দিয়া ব্যক্তিগত জীৱনৰ প্ৰতিশ্ৰুতি আৰু আনফালে দিগন্তত ওচৰত দিয়া জননীৰ অস্তিত্ব ৰক্ষাৰ প্ৰতিশ্ৰুতি। এফালে পলাশৰ ব্যক্তিগত স্বাৰ্থ আৰু আনফালে জননীৰ স্বাৰ্থ। কিন্তু, আজি সি এনেকুৱা এটা সন্ধিক্ষণত ঠিয় হৈছে যে ইয়াৰ এটা প্ৰতিশ্ৰুতিহে ৰক্ষা কৰিব পাৰে। সেয়ে সি বিপাঙত পৰিছে।

অৱশেষত পলাশে ঘপহকে থিৰাং কৰি ৰঞ্জনালৈ লিখিলে—

"হয়তো চিঠিখন পাই আচৰিত হবা। হয়তো ভাবিবা মোক কাপুৰুষ বুলি। কিন্তু তুমিতো অবুজ নোহোৱা। তুমি এজনী শিক্ষিতা ছোৱালী। গতিকে তোমাক বুজাবলৈ মোৰ ভাষা নাই। তুমিয়েই কোৱাচোন, জাতিৰ আৰু দেশৰ এনেকুৱা এটা সন্ধিক্ষণত তোমাক মই কেনেকৈ উদ্ধাৰ কৰোঁ? ব্যক্তিগত স্বাৰ্থৰ কথা কেনেকৈ ভাবো?? কেতিয়াবা আমি বৃহৎ স্বাৰ্থৰ হকে আমাৰ ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰিব লগীয়া হয়। এই সময়ত দিগন্তৰ শেষ কথা খিনি মোৰ মনলৈ বাৰে বাৰে আহিছে। তোমাৰ বাবে মই আন্দোলনৰ পৰা আঁতৰি থকাটো জানো তুমি বিচৰা? দিগন্তক বিশ্বাস ঘাটকতা কৰাটো জানো বিচাৰা?? দিগন্তৰ আত্মাৰ জানো শান্তি নিবিচাৰা??? দেশৰ দহৰ বাবে, মাতৃভূমিৰ বাবে আমি ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰিব লাগিব। সেয়ে তুমি তোমাৰ মা-দেউতাৰ সিদ্ধান্তত মত দি আত্মত্যাগ কৰিব লাগিব। তুমি তোমাৰ ব্যক্তিগত কথা বাদ দিব লাগিব। নহলে যে তোমাৰ মা-দেউতাই মনত খুউব আঘাট পাব। তোমাৰ-মোৰ এই ত্যাগ হব অসমী আইৰ বাবে ক্ষুদ্ৰ ত্যাগ। ইয়াতকৈও হয়তো পামি অধিক ত্যাগ কৰিব লাগিব পাৰে। তোমালৈ মোৰ ভালপোৱা চিৰদিন চিৰকালৰ বাবেই থাকিব মোৰ হিয়াৰ মাজত। তোমাৰ যুগ্ম জীৱন সুখৰ হোৱাৰ কামনা কৰিলোঁ। ইতি

পলাশ।"



# অপ্ৰকাশৰ বেদনা

সৌৰভ কুমাৰ পাঠক
২য় বাৰ্ষিক

কুকুৰাটোৰ মাতত জীৱনে সাৰ পালে। ধান খেৰৰ বিছনা খনত বহি ওপৰলৈ মূৰ তুলি চাই দেখিলে ইতিমধ্যে উৰলি যোৱা চালখনৰ মাজেৰে সূৰ্যৰ ৰশ্মি আহি ঘৰৰ ভিতৰখন পোহৰাই তুলিছে। তেওঁ লাহেকৈ বিছনাখনৰ পৰা পৰা উঠি আহি চাৰিৰ দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিল। বাহিৰত দেখিলে মাকে চোতাল, ঘৰ চাফ্ চিকুন কৰিবলৈ লাগি গৈছে। জীৱনে মাকক খুজি এটুকুৰা এঙাৰ লৈ দাঁত মাজি মাজি নাদত মুখ হাত ধুবলৈ গ'ল। পিন্ধি থকা কাপোৰ খনৰ এটা আচল আনি মুখ খন মচি ললে। মাকক সুধিলে "মা চাহ হৈছে নে? দুৱাৰত ধৰি থিয় হৈ থকা পঙ্গু গাভৰু ভনীয়েকৰ অসহায় দৃষ্টি জীৱনে দেখা পালে, আৰু দেখা পালে, ভনীয়েকৰ ক্ষীণাই যোৱা শৰীৰ। জীৱনে মনতে ভবিবলৈ ধৰিলে, এইটো বয়স মন দিয়া নিয়াৰ। কিন্তু, তোমাৰ মন নিবলৈ আজি তোমাৰ ওচৰলৈ কোনো নাহে, কাৰণ তুমি পঙ্গু, তুমি দুখীয়া, আজি তোমাৰ ৰূপৰ, তোমাৰ মৰম-স্নেহ, ভালপোৱাৰ দাম নাই। আজি যদি তুমি কোনো পুৰুষক মন দিবলৈ বিচৰা, তেতিয়া হলে, সেই জন পুৰুষে মন নিবলৈ আহিব তোমাৰ যৌবনৰ শৰীৰ বিচাৰি। এয়াই আজিৰ পুৰুষৰ ধৰ্ম। কিন্তু, তেওঁলোকে বুজিবলৈ চেষ্টা নকৰে কিয়? পঙ্গু, দুখীয়া গাভৰু এজনীৰ হৃদয়তো মৰম স্নেহ, ভালপোৱা নাইনে?

"বোপা, চাহ হৈছে।" মাকৰ মাতত জীৱন সচকিত হ'ল আৰু চাহ খাবলৈ ঘৰলৈ গ'ল। গুৰেৰে তৈয়াৰ ৰঙা চাহ বাতি নিচিন্ত মনে জীৱনে শেষ কৰিলে।

ভিতৰত পৰাই দা-খন লৈ বাহিৰলৈ ওলাই আহি বেলিটো লৈ চাই দেখিলে বেলি বহুত আগবাঢ়ি গৈছে। মাকক মাত লগাই তেওঁ তিনি মাইল গাওঁ খনলৈ কাম পোৱাৰ আশাৰে খোজ পেলালে। তেওঁৰ লক্ষ্য সন্ধিয়াৰ ভাত মুঠিৰ যোগান ধৰা। আপোন মনে নিজৰ কথাকে ভাবি জীৱন গৈ আছে, গাওঁখন পাবলৈ বেছি নাই। এনেতে তেওঁ দেখিলে তেওঁৰ বিপৰীতে সেই খন গাওঁৰে এজন গণ্য মান্য ধনী ব্যক্তি প্ৰবীণ দত্ত আহি আছে। জীৱনে ওচৰ পোৱাত প্ৰবীণে মাত লগালে 'অ জীৱন দেখোন ক'ত নো ওলাইছা। মোৰ ঘৰত অলপ কাম আছে, বল কৰি আহিবি।" জীৱনে প্ৰতি উত্তৰ একো নিদিলে কাৰণ, তেওঁলোকৰ কথাৰ উত্তৰ দিলে জীৱন হঁতৰ নিচিনা প্ৰাণীবোৰৰ এই খন সংসাৰত জীয়াই থকাৰ পথ ৰুদ্ধ হৈ যাব। সময় থকোতে হৰিৰ নাম লোৱা ভাল বুলি জীৱনে প্ৰবীণৰ লগতে গ'ল।

কাম বেছি নাই, মাত্ৰ ভৰাল ঘৰটো অলপ মেৰামতি কৰিব লাগে। জীৱনে কাম আৰম্ভ

কৰিলে। প্ৰবীণেও পথাৰলৈ ওলাই গ'ল ৬/৭ ঘণ্টা মান কাম কৰাৰ পিছত জীৱনৰ কাম শেষ হ'ল। মুখ-হাত ধুই পৰিস্কাৰ হোৱাত প্ৰবীণৰ ঘৈণীয়েকে জীৱনক চাহ আৰু চিৰা খাবলৈ দিলে। প্ৰবীণে আহি জীৱনক চাহ খাই থকা দেখা পাই সুধিলে—
"কাম শেষ হ'ল নে?
—ভালকৈ কৰিছা নে নাই"?
"হয় কাম শেষ হ'ল। সৰু ঘৰ বেছি সময় নেলাগে নহয়, কাম ভাল হৈছে"।

"ভালেই হ'ল দিয়া, এতিয়া দুইহে বাজিছে, পিছে, একবেলাৰ হাজিৰা কিমান লাগিব।"

"আপোনাৰ ইচ্ছা, মই কি কম।"

"টকা এটা লোৱা"

"চাওক, এটা টকাত এককিলো চাউল পাম নে? আৰু এটা মান দিয়ক।"

"নাই নাই, এটা বেলাৰ কাম, এক টকাৰ বেছি কিমান নো দিম আৰু চাহ চিৰাও খাইছা, হব দিয়া।"

জীৱনে অন্য উপায় নেদেখি টকা আৰু দা খন লৈ ওলাই আছিল। পিছে এতিয়া যাব ক'ত, এতিয়া কোনো মানুহে কাম কৰিবলৈ নিদিয়ে, কাৰণ বেলি লহিয়াইছে। অন্য পথ বিচাৰি নেপাই ঘৰলৈ উভতিল। ঘৰ আহি পোৱাত দেখিলে, মাকে বাৰিত শাক-পাচলি বিচৰাত লাগি আছে। জীৱনে মনতে হাঁহিলে মাকৰ আশা দেখি আৰু গোপনে চকুলো টুকিলে নিজৰ ব্যৰ্থতাৰ কথা ভাবি।

মাকে কিছুমান শাক-পাচলি হাতত লৈ তাৰ ফালে লক্ষ্য কৰি সুধিলে "বোপা! আজি বেলাতে আহিলা যে, কাম নেপালা নেকি? আজি তেতিয়া হলে শুকাই থাকিব লাগিব? হে ভগবান! আমাৰ প্ৰতি তুমি ইমান নিষ্ঠুৰ কিয়? বোপা যোৱা মুখ হাত ধুই আহা। কিবা এটা খাই লোৱাহি।" কিন্তু খোৱা বস্তু ঘৰত আছে জানো!

জীৱনে ভাবিলে আৰু বাৰিত থকা পিতাকৰ দিনৰ কঠাল গছ জোপালৈ চাই পঠিয়ালে বহুত আশাৰে। গছত দেখিলে কেইটা মান কঠাল ওলমি আছে। কোনো কথা নাই, দৌৰা দৌৰি কৰি গছত উঠিল, আৰু কঠাল পকিছেনে নাই তাৰে পৰীক্ষাত লাগি গ'ল। ভাগ্য ক্ৰমে পকা কঠাল এটা পাই তাকেই লৈ গছৰ পৰা নামি আহিল। পকা কঠালটো মাক আৰু ভনীয়েকৰ সন্মুখত থৈ জীৱনে নাভাবিম বুলি ভাবিও ভাবিছিল, এনেকৈ সিহঁতে আৰু কিমান দিন জীয়াই থাকিব।



# স
# স ন্ধা ন
# ন

প্ৰদীপ কুমাৰ দাস
প্ৰথম বাৰ্ষিক, প্ৰাকবিশ্ববিদ্যালয়

খিৰিকীৰ কাষত বহি নিঃসঙ্গ মনৰ গভীৰ বেদনা পাহৰি যোৱাৰ প্ৰয়াসেৰে অনতি দূৰত থকা তাজমহল একেথিৰে চাই আছিলোঁ। তাত দেখিছিলো শ শ দৰ্শণাৰ্থীৰ সমাৱেশ। দেশী-বিদেশী, পুৰুষ মহিলা দৰ্শনাৰ্থী তাজমহলৰ চাৰিওকাষে থুপ খাই আছে। তেওঁলোকে লগত নিয়া কেমেৰাৰে বিভিন্ন পজত তাজমহলটোৰ সৈতে ফটো উঠা মই নিবিড় ভাৱে চাই আছিলোঁ আৰু শুনিছিলোঁ তেওঁলোকৰ হাঁহিৰ ক্ষীণ শব্দ। মোৰ ভাৱ হৈছিল তেওঁলোকৰ জীৱনত কোনো দুখ সংঘাত নাই। তেওঁলোকৰ পিনে চাই চাইয়েই মই চিন্তা সাগৰত বুৰ গৈছিলোঁ।

এনেতে মোৰ বন্ধু পৰেশৰ মাতত উচপ খাই উঠিছিলোঁ। তাকে দেখি পৰেশে এটা অৰ্থ পূৰ্ণ হাঁহিৰে মোক সুধিছিল—"কি চিন্তা কৰি আছিলি অ'? কোনোবা মমতাজৰ কথা নিশ্চয়? কাৰণ তাজ-মহল সন্মুখতে"। তাৰ কথাত মইও সুৰ মিলাই কৈছিলোঁ "নিশ্চয়", সৌ চোৱাচোন, বুলি মোৰ সন্মু-খৰ খিৰিকিখনেৰে বাহিৰলৈ দেখুৱাই দিলোঁ—তাত থকা সেইসকল মমতাজ আৰু চাহজাহানৰ কথাকে ভাবি আছিলোঁ। তেওঁলোকে যেন জীৱনৰ সকলো সুখ সম্ভোগ তাতেই লাভ কৰে। বাৰু বাদ দে সেইবোৰ। এতিয়া আৰামত বহি তোৰ আগমনৰ কথা ক'। তেতিয়া পৰেশে কৈছিল মোক বহিবলৈ দিয়াৰ কোনো আৱশ্যক নাই প্ৰণৱ। কাৰণ বহিবলৈ নকলেও মই বহিমেই। মই তোৰ ইয়ালৈ অহাৰ কাৰণ হ'ল মই অহাকালি ঘৰলৈ যাম, দুমাহৰ ছুটি আছে। মেৰ ১ তাৰিখৰ পৰা ছুটি; কিন্তু আজিটো ৫ তাৰিখ। গতিকে মোৰ ইয়াত থকা পাঁচ দিন বেচি হৈ গ'ল। বাৰু প্ৰণৱ তই কেতিয়া ঘৰলৈ যাবি? তই যে ইমান দূৰত আছা ঘৰলৈ মনত নপৰে জানো? তোৰ মা দেউতা ককাই ভাই ভনীহঁতলৈ মনত নপৰে জানো? মোৰ কিন্তু বৰকৈ মনত পৰে ভাই।

এটি দীঘল হুমুনিয়াহ এৰি মই কৈছিলো মোৰো এখন ঘৰ থকাহেঁতেন; মোৰ মা-দেউতা, ভাই-ভনী থকাহেঁতেন মইও তোৰ দৰে ঘৰলৈ গৈ হাঁহি ধেমালি কৰি কটালোহেঁতেন। কিন্তু......।

মই একো কব নোৱাৰা হৈ পৰিছিলোঁ। চকুলো

# Participants of the G. U. Inter College Foot ball Competition at Mangaldoi



*L. to R. ( Sitting )* : B. Basumatary, C. Basumatary, K. Ahmed, R. Rabha, N. Kalita, A. Dey.

*R. to L. (Standing)* : L. Boro, J. Nath, K. Chowdhury, Prof. T. C. Nath ( In-charge), M. Roy, A. Khakhlary and D. K. Das (Secretary, Sports).

# Editorial Board



*Sitting (L to R)* : Prof. H. Rabha, Principal K. K. Rabha, Prof. B. K. Sarma, Prof. D. Kakati.
*Standing (L to R)* : K. Choudhury, D. Rabha, P. Boro.

বৈ আহিছিল। মোৰ কথাত পৰেশে এক প্ৰকাৰ আচৰিত হৈ সুধিছিল—কিয় ? তোৰ জানো কোনো নাই প্ৰণৱ ?

আছিল ভাই সকলো আছিল। মই কৈ গৈছিলোঁ মোৰ দুখময় অতীতৰ কথা। ঠিক এনেকুৱা এটা তাৰিখতেই মই মোৰ মা দেউতাক, ভাই-ভনীক চিৰ দিনৰ বাবে হেৰুৱাইছো। অসম আৰু নাগালেণ্ডৰ সীমাৱৰ্তী চুণ্ডাজান নামৰ গাওঁখনত আমাৰ সুখৰ পৰিয়ালটো বাস কৰিছিলো। চাৰিওফালে সেউজীয়া হাবিৰে ভৰা নিৰ্জন শান্ত প্ৰকৃতিৰ মাজত বাস কৰিছিল শ শ শান্ত পৰিয়াল। আমাৰ ঘৰখনত মোৰ উপৰিও মা-দেউতা, দুটা ভাই আৰু মোৰ অতি মৰমৰ ভনী সবিতা আছিল। দেউতা ওচৰৰে এখন প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক আছিল। আমাক লৈয়ে মা-দেউতাৰ সুন্দৰ কল্পনা কৰিছিল। মই যোৰহাটত থাকি বি,এ পাছ কৰিছিলো। তাৰ পিচত এম- এ পঢ়িবলৈ মন গৈছিল। কিন্তু ঘৰৰ অৱস্থা ভাল নোহোৱা বাবে পঢ়িবলৈ বাদ দিছিলো। তাৰোপৰি বাহিৰত থাকিলে ঘৰখনলৈ ঘনাই মনত পৰি থাকে। বিশেষকৈ ভন্টিৰ মৰম অভিমান আদিয়ে মোক অশান্ত কৰি তোলে। গতিকে মই দুটামান চাকৰিৰ খবৰ কৰি ঘৰতে আছিলো। ঘৰত থকা বাবে ভন্টিয়েও ভালেই পাইছিল। মই কেতিয়াবা ৰাতিকৈ ঘৰলৈ উভতিলে মোৰ বাবে ঘৰত সকলোটিয়ে বহি থাকে। এনেকুৱা এখন শান্তিৰ ঘৰ, এনেকুৱা এখন শান্ত গাঁও, সৰল মানুহবোৰৰ মূৰত কিন্তু এদিন মাধমাৰ পৰিল। সেই দিনটো যেন সিহঁতৰ বাবে অভিশাপৰ দিন আছিল।

সেই দিনটো আছিল ৫ জানুৱাৰী, ১৯৭৯ চনৰ। আমাৰ ঘৰৰ দৈনন্দিন নিয়মমতে নিচেই পুৱা ৫ মান বজাতে ঢাৰিপাটি এৰিছিলোঁ। মা-দেউতা চোতালৰ জুইকুৰাৰ ওচৰত বহি আছিল। ভন্টীয়ে পাকঘৰত জুই ধৰিছিল। মই এবাল্টি পানী লৈ পায়খানালৈ গৈছিলোঁ। তাৰ আগতে গাওঁৰ মুৰত চিঞৰ বাখৰ শুনিছিলো। কিন্তু বিশেষ মন দিয়া নাছিলোঁ। কিন্তু পায়খানাৰ ভিতৰত থাকোতে শুনিলো দুজাই গুলিৰ শব্দ। মই স্তম্ভিত হৈ পৰিছিলো। তাৰ পিছত শুনিছিলোঁ মা-দেউতাৰ মৃত্যু যন্ত্ৰনাৰ চিঞৰ! লগতে শুনিছিলো নগাৰ জয়ৰ হাঁহি। সিহঁতৰ হাঁহিয়ে মা-দেউতাৰ মৃত্যু যন্ত্ৰনাকো তল পেলাইছিল। লাহেকৈ মই দুৱাৰৰ ফাকেৰে চাই একপ্ৰকাৰ মুৰ্চ্চা যোৱাৰ নিচিনা হৈ পৰিছিলো ; তথাপি ধৈৰ্য্য ধৰি চাইছিলো। দেখিছিলোঁ মা-দেউতাৰ মৃতদেহৰ ওপৰতে সিহঁতে বেয়নেটেৰে খুচি আছে। মই উত্তেজিত হৈ ওলাই আহিব বিচাৰিছিলোঁ, কিন্তু সশস্ত্ৰ বৰ্ব্বৰ নগা কেইটাক দেখি মই থমকি ৰৈছিলো ; কিন্তু ভন্টি আৰু ভাইটি দুটাৰ কথা মনত পৰাৰ লগে লগে মই বলিয়াৰ দৰে হৈছিলোঁ।

তথাপি ভাবিছিলো বাহিৰৰ দৃশ্য দেখি নিশ্চয় ভাইটি ভন্টিহঁতে কৰবাত লুকাই থাকিব। কিন্তু অলপ পিচতেই মোৰ ধাৰণা ভুল হৈ পৰিছিল। ভাইটি ভন্টিহতক ভিতৰৰ পৰা ধৰি আনি বেয়নেটেয়ে খুচি খুচি মাৰিছিল। মোৰ ধৈৰ্য্যৰ বান্ধ স্খলকি গৈছিল। কিন্তু মই ভাবিছিলো মই ইহঁতৰ হাতত মৃত্যু বৰণ নকৰো। মই পায়খানাৰ ভিতৰত থাকি জীৱন ৰক্ষা কৰি এদিন ইহঁতৰ ওপৰত চৰম প্ৰতিশোধ লম। মই গোটেই দিনটো পায়খানাৰ ভিতৰত কটাই দিছিলো সন্ধিয়াৰ আগে আগে মই তাৰ পৰা বাহিৰ হৈছিলো। মই অনুভৱ কৰিাছলো, মই যেন খোজ কাঢ়িব নোৱাৰা হৈ পৰিছিলো। মই যেতিয়া মা-দেউতাৰ কাষ পাও ; তেতিয়া মই একেথৰে মা-দেউতাৰ ৰক্তাক্ত

দেহ দুটিলৈ চাই আছিলো। অকস্মাত মই 'মা-দেউতা' বুলি চিঞৰ মাৰি সিহঁতৰ মৃতদেহৰ ওপৰত পৰি গৈছিলো। যেতিয়া মই সাৰ পাইছিলো; তেতিয়া মই হস্পিতালৰ বিচনাত পৰি আছিলো। মই সুস্থ হৈ উঠোতে প্ৰায় বাৰ দিন লাগিছিল। কিন্তু মানসিকভাৱে বৰ দুৰ্বল হৈ পৰিছিলো। মা-দেউতা ভাইটী-ভণ্টিৰ কথা মনত পৰিলে মোক অকলশৰীয়া যেন লগা হৈছিল আৰু এতিয়াও অকলশৰীয়া অনুভৱ হয়, আৰু সেইবাবে তোমালোকে প্ৰায়ে মোক মন মাৰি থকা যেন দেখা।

তাৰ কেইদিনমান পিচত মই মোৰ পুৰণি সামৰিক বিভাগত কাম কৰা এজন বন্ধুক লগ পাও। তেওঁৰ অনুগ্ৰহত দেশমাতৃৰ হেজাৰ হেজাৰ মা-দেউতা ভাই ভনীৰ নিৰাপত্তাৰ বাবে মিলিটাৰীত ভৰ্তি হও। ৰাস্তাৰে গৈ থাকোতে যেতিয়া এখন চাইনবোৰ্ডত দেখা পাও "আমি সকলোৱে এক" আৰু তাৰ তলতে 'বাপুজীৰ ফটো'; তেতিয়া এটা প্ৰশ্নই মনত খু-দুৱনি লগাইছিল সচাকৈ মহামানৱৰ এই কথাশাৰীৰ মূল্য নাই নেকি? আমি যদি সকলোৱে একেই তেনেহলে এনে নিৰ্ম্মম অমানুষিক হত্যাকাণ্ড কেনেকৈ হ'ল। মানুহে মানুহৰ ওপৰত এইদৰে বৰ্ব্বৰ আক্ৰমণ চলাইছে কিয়? আজি ভাৰতবৰ্ষই বিশ্বশান্তি স্থাপন আৰু মানৱকল্যাণৰ প্ৰগতিৰ বাবে স্বেচ্ছাই বৰঙণি যোগাই আহিছে; অথচ নিজৰ দেশৰ ভিতৰতে কেনেকৈ এনে অমানুষিক-পাশবিক হত্যাকাণ্ড সংঘটিত হ'ল?

কিয় মোৰ অসমী আইৰ সন্তানে আজি বিনা-কাৰণে জীৱন দিব লগা হৈছে? এনেকুৱা কথা মনলৈ আহিলে মন বিদ্ৰোহী হৈ উঠে। এপিনে চুবুৰীয়া ৰাজ্যৰ আক্ৰমণ, আনপিনে বিদেশী ভগনীয়াৰ অনুপ্ৰৱেশ আজি অসমখন মৃত্যুৰ গহ্বৰলৈ সোমাই যাব ধৰিছে। কিয় এইবোৰ হব ধৰিছে?

মই মিলিটাৰীত ভৰ্তি হোৱাৰ এবছৰ পিছত ইয়ালৈ লৈ আহিছে। মোৰ দৰে ২৫ জন সৈনিকেৰে ৰেলৰ দ্বিতীয় ডবাত উঠি যাত্ৰা আৰম্ভ কৰিছিলো। তেতিয়া পূৱ-প্ৰান্তত দেখিছিলো ৰঙা হৈ উঠা সূৰ্য্য-টোৱে উদয় হব ধৰিছিল। মই সেইপিনে চাই আছিছিলো। মই অনুভৱ কৰিছিলো এনেকুৱা এটা নতুন সূৰ্য্য বিচাৰি যেন মই মোৰ যাত্ৰা আৰম্ভ কৰিছিলো।

মই একেলেথাৰিয়ে কথাখিনি কৈ উঠি এটা দীঘল হুমুনিয়াহ কাঢ়ি পৰেশৰ পিনে চাইছিলো। সি একান্ত মনে মোৰ চকুৰ পিনে কৰুণ চাৱনিৰে চাই আছিল। হঠাৎ সি বহাৰ পৰা উঠি মোক কলে, প্ৰণৱ অতীতৰ দুখৰ কথা সুধি তোক দুখ দিয়া বাবে খং নকৰিবি। মই যাওঁ। আৰু সি তলমূৰকৈ ওলাই গৈছিল। মই সি যোৱাৰ পিনে চাই আছিলো চকুৰে নমনা নোহোৱালৈ।

★

# সঙ্গীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আদিতে মোৰ কাৰ্য্য কালছোৱাত মোক বিভিন্ন উপদেশ, পৰামৰ্শ দি সহায় কৰা বাবে ডুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, লগতে সঙ্গীত বিভাগৰ সম্পাদক হিচাপে কাম কৰাৰ সুবিধা দিয়া বাবে ডুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ শলাগৰ শৰাই আগবঢ়াইছোঁ।

যিকোনো দায়িত্ব গ্ৰহণ কৰা সহজ, কিন্তু তাক নিয়াৰিকৈ পালন কৰাহে টান। মই নৱাগত ছাত্ৰ হিচাপে তাক কিদৰে পালন কৰি কিমান দূৰ কৃতকাৰ্য্য হব পাৰিছোঁ সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ বিবেচনাধীন। কাৰ্য্য ভাৰ গ্ৰহণ কৰাৰ পিছতেই যি গুৰুদায়িত্বপালন কৰিব লগীয়া হ'ল তাক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আন্তৰিকতা পূৰ্ণ সহায়-সহযোগ সতুপদেশৰ ফলতহে নিয়াৰিকৈ পালন কৰিবলৈ সক্ষম হৈছোঁ। এই বছৰটোত "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে হোৱা সঙ্গীতানুস্থানৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ত অনুস্থিত হোৱা Inter College Youth Festival অত যোগদান কৰাৰ সুযোগ পাইছিলোঁ। "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে হোৱা সঙ্গীত প্ৰতিযোগীতাত যি সকল প্ৰতিযোগীয়ে গীত পৰিবেশন কৰি শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছিল তেওঁলোকক লৈ আমি সেই অনুস্থানত যোগ দিছিলোঁ। কিন্তু আমি বিফল মনোৰথ লৈ ঘূৰি আহিব লগীয়া হ'ল। কাৰণ তাত যিমান বোৰ মহাবিদ্যালয়ে যোগ দান কৰিছিল সেই সকলৰ তুলনাত আমাৰ মহাবিদ্যালয় সঙ্গীতত একেবাৰে পিছ পৰি আছে। কাৰণ, আমাৰ মহাবিদ্যালয়ত সঙ্গীতৰ অনুশীলন একেবাৰে নাই বুলি কলেও বঢ়াই কোৱা নহয়। চৰ্চ্চা অবিহনে সঙ্গীত কেতিয়াও প্ৰসাৰতা লাভ কৰিব নোৱাৰে। আমাৰ মহাবিদ্যালয়ত তেনে কোনো সঙ্গীত চৰ্চ্চাৰ ব্যৱস্থা নাই। ততুপৰি মহাবিদ্যালয়ৰ বাদ্যযন্ত্ৰৰ অভাৱে এটা ডাঙৰ বাধাৰূপে শিল্পী সকলৰ সন্মুখত দেখা দিয়ে। সেই বাধা আঁতৰ নকৰিলে আমাৰ মহাবিদ্যালয়ে কেতিয়াও সঙ্গীতত প্ৰসাৰতা লাভ কৰিব নোৱাৰে।

গতিকে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ আমাৰ বিশেষ অনুৰোধ শিল্পীমনৰ চাহিদা অনুসৰি আধুনিক বাদ্য-যন্ত্ৰৰ যোগান ধৰি আমাৰ মহাবিদ্যালয়ৰ সঙ্গীত বিভাগটো টনকিয়াল কৰিবলৈ মনোযোগ দিয়ে যেন আৰু মাজে সময়ে মহাবিদ্যালয়ত সঙ্গীতানুস্থান পাতিলে নিশ্চয় ছাত্ৰ-ছাত্ৰীৰ মনত সঙ্গীতৰ প্ৰতি আগ্ৰহ জন্মিব আৰু সঙ্গীতেও প্ৰসাৰতা লাভ কৰিব বুলি আমাৰ বিশ্বাস।

সদৌ শেষত উকলি যোৱা দিনবোৰত কৰি অহা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। ডুধনৈ মহাবিদ্যালয়ৰ সঙ্গীত বিভাগ সুস্থ সবল হওঁক। এয়ে কামনা।

—নমস্কাৰ—

নব কুমাৰ দাস।
সম্পাদক, সঙ্গীত বিভাগ
ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ

মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ কেইদিনমান পিছতে যুৱমহোৎসৱত যোগদান কৰাৰ বাবে সাজু হব লগীয়া হয়। যুৱমহোৎসৱত যোগদান কৰা হয় কিন্তু দুখৰ বিষয় কোনো প্ৰতিযোগিতাতে আমাৰ মহাবিদ্যালয়ে ভাল স্থান অধিকাৰ কৰিব নোৱাৰিলে।


সদৌ শেষত, ভাৰপ্ৰাপ্ত অধ্যাপক প্ৰমুখ্যে অধ্যাপক অধ্যাপিকা মণ্ডলীলৈ মোৰ কৃতজ্ঞতা, শ্ৰদ্ধা নিবেদন কৰিছো। সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জনাইছো।

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰিছো। ইতি—

প্ৰতিবেদনৰ পাতনিতে মই সেই সকল ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন আগবঢ়াইছো যি সকলে মোক বিপুল সমৰ্থৰে এই খন মহাবিদ্যালয়ৰ ছাত্ৰএকতা সভাৰ সাংস্কৃতিক সম্পাদকৰ পদলৈ নিৰ্বাচিত কৰি গুৰু দায়িত্ব অৰ্পণ কৰে।

দায়িত্বভাৰ গ্ৰহণ কৰি, ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগত মই অগ্ৰসৰ হৈছিলো কিন্তু কিমান সফলতা লাভ কৰিছো ছাত্ৰ-ছাত্ৰীয়েহে জানে। কাম কৰিবলৈ আগবাঢ়ি প্ৰথম খোজতে উজুতি খাইছিলো। আৱশ্যক অনুসৰি বাদ্য যন্ত্ৰৰ অভাৱ। তথাপি ছাত্ৰবাসৰ ছাত্ৰ বন্ধুবোৰৰ সহযোগত 'মহাবিদ্যালয় সপ্তাহ'ৰ কাৰ্য্যসূচী নিয়াৰিকৈ সম্পন্ন কৰিবলৈ সক্ষম হওঁ। ছাত্ৰবাসৰ ছাত্ৰ বন্ধুৰ বাহিৰেও মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে মোৰ আটাইবোৰ কামতে আন্তৰিকতাপূৰ্ণ সহায়, সহযোগ আগবঢ়োৱাতো চিৰস্মৰণীয়।

শ্ৰীমিত্ৰদেৱ ৰাভা
সম্পাদক, সাংস্কৃতিক বিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, দুধনৈ।



# ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

১৯৭৯—৮০ চনৰ বাবে তুধনৈ মহাবিদালয় ছাত্ৰ একতা সভাৰ ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰি সেৱা কৰিবৰ সুযোগ দিয়া বাবে তুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ নিবেদন কৰিছো। মোৰ কাৰ্য্যকাল ছোৱাত সম্পন্ন কৰা কেতবোৰ কাম আৰু কাম সমূহ সম্পন্ন কৰাত পাই অহা দুই এটা অসুবিধা, অভাব বিনম্ৰ ভাৱে চমু প্ৰতিবেদনত দাঙি ধৰিলো।

একেৰাহে বহু সময় একে কামকে কৰি থাকিলে আমাৰ দেহ মন ক্লান্ত হৈ পৰে। ক্লান্ত মনৰ অৱসাদ দূৰ কৰি স্মৃতি শক্তিক অধিক কাৰ্য্যক্ষম কৰি তোলে জিৰণিয়ে। সেই হেতুকে ছাত্ৰ-ছাত্ৰী তথা মানৱ সমাজৰ বাবে জিৰণিৰ একান্ত প্ৰয়োজন। আমাৰ মহাৰিদ্যালয়ত ছাত্ৰ-ছাত্ৰী জিৰণিৰ বাবে সুকীয়া সুকীয়া কোঠাৰ ব্যৱস্থা আছে। কিন্তু আমাৰ মহাবিদ্যালয় চালুকীয়া অৱস্থাৰ কাৰণেই হওঁক বা আৰ্থিক দুৰৱস্থাৰ কাৰণেই হওঁক জিৰণি কোঠাত যিমান সা-সুবিধা পাব লাগিছিল তাৰ পৰা দুখ লগা ভাবে বঞ্চিত। এইবোৰ হ'ল—

১) জিৰণি কোঠাত কেৰম বোৰ্ডৰ যোগান ধৰা হৈছে যদিও ছাত্ৰীৰ সংখ্যানুপাতে কেৰম বোৰ্ড যথেষ্ট নহয়। কেৰম বোৰ্ডৰ সংখ্যা বঢ়াব লাগে।

২) জিৰণি কোঠাত টেবিল টেনিচ খেলাৰ ব্যৱস্থা আজি পৰ্য্যন্ত হৈ নুঠাতো অতি দুখৰ কথা। পৰৱৰ্তী বছৰত কৰ্ত্তৃপক্ষই জিৰণি কোঠাত টেবিল টেনিচ খেলাৰ ব্যৱস্থা কৰি দিব বুলি আশা কৰিলোঁ।

৩) ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে কোঠাটো সৰু হৈ পৰিছে। বেঞ্চ আদি সুমুৱাতো অসুবিধা হৈ পৰিছে। জিৰণি কোঠাটো আহল কৰি ছাত্ৰী সকলে অনুভৱ কৰি অহা অসুবিধা সমূহ দূৰ কৰিব বুলি আশা থাকিল।

৪) ছাত্ৰী সকলৰ urinal অধিক উন্নত হোৱাতো বাঞ্চনীয়।

৫) ছাত্ৰীৰ জিৰণি কোঠাত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

মোৰ এবছৰীয়া কাৰ্য্যকালত ভাৰপ্ৰাপ্ত অধ্যাপিকাকে প্ৰমুখ্যে যি সকল অধ্যাপক অধ্যাপিকাই সহায়, সহযোগ আৰু পৰামৰ্শ আগবঢ়ালে তেওঁলোকলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে সি সকল ছাত্ৰীয়ে মোক বিভিন্ন প্ৰকাৰে সহায় কৰিলে তেওঁলোকলৈ অশেষ ধন্যবাদ জনাইছো। অৱশেষত, অজানিত ভুল ভ্ৰান্তিৰ বাবে কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিছো।

তুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো। তুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উন্নতি হওঁক। ইতি—

মিচ্ অনু কচাৰী
সম্পাদিকা, ছাত্ৰীৰ জিৰণি কোঠা
তুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে ডুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা মণ্ডলীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো।

১৯৭৮-৭৯ চনৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মহবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ পাই মই নিজকে ধন্য মানিছো। সকলোৰে আশীৰ্বাদ শিৰত লৈ মোৰ কাৰ্য্য কাল ছোৱাত বহুতো কাম কৰিম বুলি ভাবিছিলো কিন্তু সময়ত হৈ নুঠিল।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আৰম্ভ হ'ল মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচীৰ মাজত সমাজ সেৱা প্ৰতিযোগিতা পতা হৈছিল আৰু এই উপলক্ষে মহাবিদ্যালয় পথাৰখন চাফাই কৰাৰ লগতে মহাবিদ্যালয় চৌহদৰ বেৰবোৰ মেৰামত কৰা হৈছিল। তদুপৰি, কেবাবাৰো সমাজ সেৱা বিভাগৰ জৰিয়তে ৰাস্তা মেৰামত আৰু বৃক্ষ ৰোপন কৰা হয়। কাম কৰোতে কেতবোৰ অভাব, সমস্যাৰ সন্মুখীন হোৱাতো স্বীকাৰ্য্য। কাম কৰিবলৈ আগবাঢ়িলেই প্ৰশ্ন হয় দা, কোৰ আদি ক'ত পাম কোনে দিব ? অৱশেষে, মহাবিদ্যালয়ৰ গাতে লাগি থকা ৰাইজে নিজৰ কাম বন্ধ কৰি হলেও আৱশ্যকীয় আহিলা পাতি যোগান ধৰি সমস্যাৰ সমাধান কৰে। ইয়াতে সেই সকল ৰাইজলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। মই আশা কৰিছো, দুই এবছৰৰ ভিতৰতে সমাজ সেৱা বিভাগতো টনকিয়াল হৈ উঠিব আৰু কৰ্তৃপক্ষৰ সহায় সহযোগত পৰবৰ্ত্তী সম্পাদকে ব্যাপক আঁচনি হাতত লৈ কাৰ্য্যকৰী কৰাত সক্ষম হ'ব।

মোৰ কাৰ্য কাল ছোৱাত সমাজ সেৱাৰ কামত ছাত্ৰ-ছাত্ৰীক বেছ আগ্ৰহান্বিত দেখিছিলো। ভবিষ্যতে নতুন চামেও যাতে আগ্ৰহেৰে আগবাঢ়ি আহে তাকেই কামনা কৰিলো।

ডুধনৈ মহাবিদ্যালয়ৰ ভবিষ্যত উন্নতি কামনা কৰিলো। ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা অধিক শক্তিশালি হব বুলি আশা কৰিলো অৱশেষত, মোৰ কাৰ্য্যকালত হোৱা ভুল ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো। ইতি—

সজল কান্তি সেনগুপ্ত
সম্পাদক, সমাজ সেৱা বিভাগ
ডুধনৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা।


## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ শ্ৰদ্ধাভাজন অধ্যাপক অধ্যাপিকা মণ্ডলীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ আনবিল শুভেচ্ছা আগবঢ়ালো। বিভাগীয় সম্পাদক হিচাপে দায়িত্বভাৰ লৈ কাম কৰিবলৈ আৰম্ভ কৰোতে বিমোৰত পৰো খেল পথাৰলৈ। মহাবিদ্যালয়ৰ খেল পথাৰখন আজিলৈ ভাল হৈ নুঠাতো অতি দুখৰ বিষয়। মই আশা কৰোঁ, দুই এবছৰৰ ভিতৰতে কৰ্তৃপক্ষই খেন পথাৰৰ উন্নতি সাধন কৰিবলৈ যত্ন কৰিব।

অইন বছৰৰ দৰে এই বছৰতো 'মহাবিদালয় সপ্তাহ' আড়ম্বৰ পূৰ্ণ ভাবে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিভিন্ন খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু আটাইবোৰ খেল পৰিচালনা কৰাত ভাৰ প্ৰাপ্ত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীয়ে বিশেষ ভাৱে সহায় কৰাতো স্বীকাৰ্য্য। ইয়াতে তেওঁলোকলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মহাবিদ্যালয় সপ্তাহৰ খেল প্ৰতিযোগিতা সুকলমে সম্পন্ন হলেও এটা কথা নকলে নহয়; খেল প্ৰতিযোগিতাত মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীহে অংশ গ্ৰহণ কৰিছিল। ভবিষ্যতে প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীয়ে অশেষ মনোযোগ দিব আৰু খেলৰ মান উন্নত কৰাত গুৰুত্ব দিব বুলি আশা কৰিলোঁ। সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি

দিলীপ কুমাৰ দাস
সম্পাদক, খেল বিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# আন্তঃদ্বাৰ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ


প্ৰতিবেদনৰ আৰম্ভণিতে ডুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবীলৈ আন্তৰিক অভিনন্দন জনাইছো আৰু মোৰ কাৰ্য্যকালত হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে প্ৰাৰ্থনা বিচাৰিছোঁ।

সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ কিছুদিন পিছতেই 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে খেল প্ৰতিযোগিতা পাতিব লগীয়া হয়। আন্তঃ দ্বাৰা খেল সমূহ অন্ততঃ এমাহ আগৰ পৰাই আৰম্ভ কৰিব লাগে কিন্তু এসপ্তাহৰ ভিতৰত খেলবোৰ শেষ কৰিব লগীয়া হোৱাত বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। ইমানবোৰ খেল এসপ্তাহৰ ভিতৰত শেষ কৰাতো অসম্ভৱ। তাৰ ফলত কিছুমানৰ লগত তৰ্কও কৰিব লগীয়া হয়। বিশেষকৈ বেডমিণ্টন খেল চলোৱাত পোৱা অসুবিধা উল্লেখযোগ্য। বেডমিণ্টন খেলৰ বাবে এটা আহল বহল কোঠাৰ প্ৰয়োজন। অভাবত বাহিৰত খেল চলাব লগীয়া হয়। সন্ধিয়া পোহৰৰ ব্যৱস্থা কৰা হৈছিল যদিও সেই পোহৰত খেল চলাব নোৱাৰি। কৰ্তৃপক্ষই ভবিষ্যতে এই বিষয়ে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব।

তদুপৰি, আটাইবোৰ খেলৰ ব্যৱস্থা নাথাকিলেও 'টেবিল টেনিচ'ৰ ব্যৱস্থা থকাতো একান্ত দৰ্কাৰ। পৰৱৰ্ত্তী বছৰত এই অভাৱ দূৰ হব বুলি নিশ্চয় আশা কৰিব পাৰি।

অৱশেষত, ভাৰপ্ৰাপ্ত অধ্যপক আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিভিন্ন প্ৰকাৰে সহায় কৰিছিল তেওঁলোকলৈ অশেষ ধন্যবাদ জনাইছো। ডুধনৈ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি হওঁক। ইতি

পীতাম্বৰ ৰাভা
সম্পাদক, আন্তঃ দ্বাৰ খেল বিভাগ
ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# Many came but selected few..........



Mr. Bani Kanta Rabha
Best Athlet (Boys) : 1979-80



Miss Manju Rabha
Best Lady Athlet : 1979-80



Miss Anu Kachari
Best Lady Athlet : 1979-80



Mr. Sajal Kanti Sengupta
Best Debator : 1979-80



Miss Saraswati Sarma
Best Singer : 1979-80



Mr. Chinmoy Sarkar
Best Singer : 1979-80



Mr. Sarifat Ali
Best Literary man : 1979-80



Mr. Arabinda Hazowary
Best Actor : 1979-80



Miss Sandhya Basumatary
Best Actress : 1979-80



Miss Gitika Basumatary
Best Social Service Worker : 1979-80



Mr. Prem Chand Basumatary
Best Social Service Worker : 1979-80

# Results of the Annual College Week Competition : 1978-79

**Games and Sports :**

1. **100 m. race ( Boys )**
   1st—Khirajuddin Ahmed.
   2nd—Ajit Dey
   3rd—Chitta Ranjan Basumatary
2. **100 m. race ( Girls )**
   1st—Miss Manju Rabha
   2nd—Miss Anu Kachari
   „ Miss Kamakhya Basumatary
   3rd—Miss Saraswati Sarma
3. **400 m. race ( Boys )**
   1st—Chitta Ranjan Basumatary
   2nd—Ajit Dey
   ,, Bani Kanta Rabha
   3rd—Khiajuddin Ahmed
4. **200 m. race ( Girls )**
   1st—Miss Manju Rabha
   2nd—Miss Anu Kachari
   3rd—Miss Sandhya Basumatary
5. **Blind Hit ( Girls )**
   1st—Miss Basanti Kalita
   Miss Jagneswari Saud
   Miss Nirupama Baisya
6. **Discuss Throw ( Boys )**
   1st—Chandra Rabha
   2nd—Mihir Ch. Rabha
   3rd—Nripen Kalita
7. **Discuss Throw ( Girls )**
   1st—Miss Anu Kachari
   2nd—Swarnalata Nath
   3rd—Miss Chnaki Khakhlary
8. **Hop step & jump ( Boys )**
   1st—Bani Kanta Rabha
   2nd—Khirajuddin Ahmed
   3rd—Ganashyam Rabha
9. **Jevelline throw ( Girls )**
   1st—Miss Manju Rabha
   2nd—Miss Chinki Khakhlary
   3rd—Miss Anu Kachari
10. **400 m. race ( Girls )**
    1st—Miss Manju Rabha
    2nd—Miss Anu Kachari
    3rd—Miss Chinaki Khakhlary
11. **800 m. race ( Boys )**
    1st—Bani Kanta Rabha
    2nd—Ajit Dey
    3rd—Nripen Kalita
12. **Shot put throw ( Girls )**
    1st—Miss Anu Kachary
    2nd—Miss Chinaki Khakhlary
    3rd—Miss Manju Rabha
13. **Short put throw ( Boys )**
    1st—Mihir Rabha
    2nd—Subodh Rabha
    3rd—Bani Kanta Rabha
14. **Balance Race ( Girls )**
    1st—Miss Chinaki Khakhlary
    2nd—Miss Anu Kachari
    3rd—Miss Arati Rabha
15. **Pole Voult ( Boys )**
    1st—Nripen Kalita
    2nd—Biren Rabha
    3rd—Shisir Patgiri

16. 200 m race ( Boys )
1st – Khirajuddin Ahmed
2nd—Premchand Basumatary
3rd—Ajit Dey

17. Jevelline throw ( Boys )
1st—Mihir Rabha
2nd—Nripen Kalita
3rd—Mitradev Rabha

18. Hemer throw ( Boys )
1st—Bani Kanta Rabha
2nd—Mihir Ch. Rabha
3rd—Jabananda Hajowary

19. Higb jump ( Boys )
1st—Chitta Ranjan Basumatary
2nd—Nripen Kalita
3rd—Shishir Patgiri

20. Swiming race
1st—Banikanta Rabha
2nd—Kshirajuddin Ahmed
,, Bimal Brahma
3rd—Ajit Dey

21. Memory Test ( Girls )
1st – Sandhya Sen
2nd—Miss Parul Nath
3rd—Miss Suchita Khakhlary
,, Miss Anu Kachary

22. Music chair ( Girls )
1st—Miss Gitika Basumatary
2nd—Miss Janeswari Saud
3rd—Miss Panna Mukharjee

23. Rellay race ( Girls )
1st—Miss Suchita Basumatary
Miss Manju Rabha
Miss Arati Rabha
Miss Chinaki Khakhlary
2nd—Miss Anu Kachari
Miss Sandhya Basumatary
Miss Kamakhya Basumatary
Miss Saraswati Sarma

24. Rellay race ( Boys )
1st—Kshirajuddin Ahmed
Ajit Dey
Mihir Ch. Rabha
Chittaranjan Basumatary
2nd—Premchand Basumatary
Sishir Patgiri
Mono Mohan Kachri
Nripen Kalita

25. Long jump ( Boys )
1st—Kshirajuddin Ahmed
2nd—Mono Mohan Kachary
3rd—Nripendra Rabha

26. Marathan race
1st—Banikanta Rabha
2nd—Chittaranjan Basumatary
3rd—Uday Das
4th—Dhruba Sarkar
5th—Kshitish Das
6th—Sumir Sengupta
7th—Premchand Basumatary
8th – Hitesh Das
9th—Sajal Kanti Sengupta

27. Go as you like (common )
1st—Sajal Kanti Sengupta
2nd – Miss Putul Roy
3rd—Miss Suchita Khakhlary
Miss Gitika Basumatary

**Minonr Games :**

1. Badminton Single ( Girls )
Winners—Miss Punnya Roy
Runners—Miss Lalita Todi

2. **Badminton Dubles ( Girls )**
Win : Miss Punnya Roy
Miss Spra Purkyastha
Run : Miss Putul Roy
Miss Nisha Baruah

3. **Teniqoit Singles ( Girls )**
Win : Miss Sushita Khakhlary
Run : Miss Lolita Todi

4. **Teniqoit Doubles ( Girls )**
Win : Miss Sushita Khakhlary
Miss Lilaboti Rabha
Run : Miss Surabhi Roy
Miss Babita Todi

5. **Carrom Singles ( Girls )**
Win : Miss Babita Todi
Run : Miss Anu Kachari

6. **Carrom Doubles ( Girls )**
Win – Miss Babita Todi
Miss Panna Mukharjee
Run—Miss Anu Kachary
Miss Shyamali Sarkar

7. **Badminton Singles ( Boys )**
Win—Rabi Join
Run—Mihir Ch. Rabha

8. **Badminton Doubles ( Boys )**
Win—Mitradev Rabha
Rabi Join
Run—Chinmoy Sirkar
Mihir Ch. Rabha

9. **Carrom Singles (Boys)**
Win—Gopal Ch. Roy
Run—Rampad Roy

10 **Carrom Dubles ( Boys )**
Win—Gopal Roy
Hassan Ali
Run—Dilip Rabha
Dwipen Nath

11. **Volley Ball ( Boys ) Inter-class**
Win—Chinmoy Sirkar (captain)
Dilip Rabha
Mihir Rabha
Jabananda Hozowary
Ajit Dey
Promod Kalita
Run—Mono Mohon Kachary (Captain)
Suresh Basumatary
Nripen Kalita
Biren Rabha
Jagdish Nath
Bhairab Basumatary

**Music Section :**

1. **Bhajon**
1st—Mitradev Rabha
2nd—Pradeep Brahma Patgiri

2. **Bargeet :**
1st—Tarini Charan Nabari
2nd—Miss Bhanu Prava Das

3. **Rabindra Songeet**
1st—Chinmoy Sirkar
2nd— Nil

4. **Jyoti Songeet :**
1st--Chinmoy Sirkar
2nd—Pradeep Brahma Patgiri

5. **Bishnu Songeet :**

1st—Tarini Charan Nibani
2nd—Chinmoy Sirkar

6. **Bon geet :**

1st—Miss Saraaswati Sarma
2nd—Mitradev Rabha

7. **Nichukoni geet :**

1st—Miss Bhanuprava Das

8. **Ai Nam :**

1st—Miss Saraswati Sarma
2nd—Miss Kamala Choudhury

9. **Bia Nam :**

1st—Miss Saraswati Sarma
2nd—Miss Bhanuprava Das

10. **Gajal :**

1st—Chinmay Sirkar
2nd—Mukul Rahman

11. **Tribal Song :**

1st—Prafulla Rabha
2nd—Banikanta Rabha

12. **Bihu geet :**

1st—Miss Saraswati Sarma
2nd—Tarini Charan Nibani

13. **Folk Song :**

1st—Tarun Chowdhury
2nd—(1) Naba Kumar Das
(2) Dhruba Sarkar

14. **Modern Song :**

1st—Miss Nisha Baruah
2nd—Chinmoy Sirkar

**Board Magazin Competition :**

1. **Assamese Short Story :**

1st—Miss Ratna Basumatary
2nd—Jayanta Nath

2. **Assamese Poem :**

1st—Miss Swarnalata Nath

3. **Assamese Essay :**

Pratul Das

4. **Assamese Humour Essay :**

Ajit Kr. Choudhury

5. **Art :**

1st—Madhu Sudhan Das
2nd—Sameswar Rabha
3rd—Dilip Rabha

6. **Cartoon :**

1st—Madhu Sudhan Das
2nd—Nareswar Rabha

**Literary Competion :**

1. **Assamese Short Story :**

1st—Holi Ram Deka
2nd—Shisir Ranjan Patgiri
3rd—Shabed Ali

2. **Assamese Poem :**

1st—Miss Punya Roy
2nd—Shisir Ranjan Patgiri
3rd— Nil
consolation—Sarifat Ali

**3. Assamese Light Humour Essay :**

1st— Nil
2nd—Sarifat Ali
3rd—Pratul Das
Akhay Rabha

**4. Assamese One Act Play :**

1st— Nil
2nd—Miss Sipra Purakayastha
3rd—Miss Kamala Prava Choudhury
consolation —Sarifat Ali

**5. Assamese Essay** (For B.A.)

1st— Nil
2nd—Sarifat Ali
3rd—Phulen Kakati

**6. Assamese Essay** (For P.U.)

consolation—Miss Nisha Baruah

**7. English Essay :**

Consolation—Sarifat Ali

**8. English Poem :**

Consolation—Tasimuddin Ahmed
Sarifat Ali

**One Act Play Competition :**

Best team—Arabinda Hozawary
Hites Das
Nityananda Dutta
Chandi Das
Pitambar Rabha
Promod Kalita

2nd Best team—Jagadish Nath
Karen Kalita
Dinesh Chakravarty
Jiten Nath

Best director— Premananda Khakhlary
(Oi Mor Bap)

**Debating Section :**

**1. Recitation** (Assamese)

1st—Madhu Sudhan Das
2nd—Miss Sandhya Basumatary
3rd—Dinesh Chakravarty
Miss Binapani Brahma

**2. Recitation** (English)

1st—Miss Shyamali Sarkar
2nd—Shisir Patgiri
3rd—Miss Pratima Basumatary

**3. Recitation** (Bengali)

1st—Miss Panna Mukharzee
2nd—Miss Shamali Sarkar
3rd—Miss Pratima Basumatary

**4. Debate**

1st—Sajal Kanti Sengupta
2nd—Dinesh Chakravarty
3rd—Madu Shudhan Das

**5. Extempore Speech**

1st—Miss Swarnalata Nath
2nd—Dinesh Chakravarty
3rd—Bani Kanta Rabha

6. **Quiz Competion :**

1st—Banikanta Rabha
Ajit Choudhry
Hemanta Medhi
Nripen Rabha

2nd—Sishir Patgiri
Miss Lolita Todi
Miss Prativameyee Roy
Dilip Kr. Kachari

3rd—Sarifat Ali
Dinesh Chakravarty
Pratul Das
Utshab Nath

1. **Best Athlet.( Boys )—**
Mr. Bani Kanta Rabha,

2. **Best Lady Athlet—**
Miss Manju Rabha,
,, Anu Kachary,

3. **Best Debator—**
Sajal Kanti Sengupta,

4. **Best Singer—**
Mr. Chinmoy Sarkar
Miss Saraswati Sarma

5. **Best Literary man—**
Mr. Sarifat Ali

6. **Best Actor—**
Mr. Arabinda Hazowary

7. **Best Actress—**
Miss Sandhya Basumatary

8. **Best Social Service Worker—**
Miss Gitika Basumatary
Prem Chand Basumatary